উপাধ্যক্ষ মহোদয়, আপুনি জানে, আজি আমাৰ একো নাই, আমি সৰ্ব্বহাৰা, অসমৰ অৰ্থ নৈতিক অৱস্থা আজি অত্যন্ত সোচনীয় যিখিনি উদ্যোগ আমাৰ ইয়াত গঢ়ি উঠিছে, তাত আমাৰ হাত নাই, সেইটোও কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত। আজি গুৱাহাটী Oil Refinary লৈ চাওঁক, O N GC লৈ চাওঁক, যোৰহাটৰ Regional Research Laboratary লৈ চাওঁক, Postal Deptt লৈ চাওঁক, Railway Deptt লৈ চাওঁক, কতো আমাৰ হাত নাই। অসমৰ উদ্যোগৰ ক্ষেত্ৰত চাওঁক — যি সকল চিনেমা হলৰ মালিক আছে তাৰ ৯৯% ভাগেই বাহিৰা মানুহ। তেওঁলোকে গোটেই অসম খনকে শোষণ কৰি লৈ গৈছে। ফেক্টৰী ক্ষেত্ৰত বাহিৰা উদ্যোগ Plywood, ফেক্তৰী মদৰ মহল আৰু অন্যান্য উদ্যোগৰ ক্ষেত্ৰত বাহিৰা উদ্যোগপতি সকলে অসমীয়া ৰাইজক শোষণ কৰিছে। যি বিলাক মদৰ মহল আছে সেই বিলাক বেনামী হিচাবে বাহিৰৰ মানুহেই লৈছে। আজি পুৱা প্ৰশ্নোত্তৰত এই বিলাক কথা জনাইছে।

অসমৰ একমাত্ৰ সম্পদ হৈছে বনজ সম্পদ। এই সম্বলক লৈয়ে আমি জীয়াই থাকিব লাগিব আৰু সতি-সন্ততিৰ ভবিষ্যৎ ৰচনা কৰিব লাগিব। ইয়াৰ দ্বাৰাই উঠি অহা লৰা-ছোৱালী বা ডেকা গাভৰুৰ শিক্ষাদান দিব লাগিব। আমাৰ ভাত মুঠি খোৱাৰ এয়ে একমাত্ৰ সম্বল। গতিকে আমি এইটো নুই কৰিব নোৱাৰো আৰু এনেই যাবলৈ দিব নোৱাৰো। আৰু আমি সৰুতে যেতিয়া গণ আন্দোলনৰ আভাষ পাইছিলো তেতিয়া গাইছিলো— "আমি বহুৱাম জনতাৰ চৰকাৰ, আমি ৰহুৱাম জনতাৰ চৰকাৰ.... .... ... "।

কিন্তু আজি সাংবিধানিক চৰ্ত্ত অনুসাৰে যিসকলে উদ্যমেৰে আগবাঢ়িছিল সেই সকলৰ উদ্যমক ধ্বংস কৰিলে এই কংগ্ৰেছ চৰকাৰৰ কুশাসনে। অসমৰ জনসাধাৰণ ভাৰতবৰ্ষৰ ভিতৰতে শান্তিপূৰ্ণ জনসাধাৰণ, এই শান্তিপুৰ্ণতাৰ আলম লৈ অসমৰ জনসাধাৰণক তিল তিলকৈ ধ্বংসৰ মুখলৈ আগবঢ়াই দিছে, মানুহক শুহি খাবলৈ আৰম্ভ কৰিছে। এই গণতান্ত্রিক দেশত মানুহে খাবলৈ ভাত নাপায়। খাবলৈ নাপায় বিধান সভাৰ সন্মুখত কান্দিবলৈ আহিলেও তাক চুৰ কৰি নি জেলত ভৰাই থয়। এয়ে হল গণতন্ত্র। ই গণতন্ত্র নে অগণতন্ত্র? এই দৰে এই গণতন্ত্রৰ ভিত্তিতেই কংগ্ৰেছ চৰকাৰে দেশক শাসন কৰিছে? অনুন্নত সম্প্ৰদায়ৰ প্ৰতিনিধিয়ে অনুন্নত সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ সত্যৰ অপলাপ কৰিছে। এইটো হল আমাৰ গণতন্ত্রৰ নমুনা যি গণতন্ত্রত মানুহ জীয়াই থাকিবলৈ বিচাৰিলেও জীয়াই থকাৰ স্বীকৃতি নাপায়।

Mr. Deputy Speaker :— Mr. Barua, you remember that in that connection the hon. Speaker gave his clarification yesterday.

Shri Dulal Chandra Barua .— এই গণতন্ত্রক ভুৱাদি মন্ত্ৰীয়ে নিজৰ ভবিষ্যৎ ৰচনা কৰিবলৈ চেষ্টা কৰিছে। মই প্ৰশ্ন কৰিব খুজিছো ই গণতন্ত্র নে অগণতন্ত্র?

ইয়াকে সাব্যস্ত কৰিবলৈ গৈ মই আপোনাক এটা আচৰিত কথা কব বিচাৰিছো কলংৰ পশ্চিম খণ্ডত Direct Settlement দিম দিম বুলি কোনো মনঃপুত নোপোৱাত যেনিবা ১৯৬৮ চনৰ জানুৱাৰীৰ পৰা জুলাইৰ ভিতৰত D. Cয়ে Tender Call কৰিলে আৰু মন্ত্ৰীয়ে Direct Settle-

ment কৰি সুদৰ্শন মণ্ডল বুলি এজন মানুহক মীন মহল দিলে। মোৰ প্ৰশ্ন হ'ল Direct Settlement দিম দিম বুলি বহি থাকি তৎক্ষণাৎ বিবেচনা নকৰাকৈ কিবা এটা কৰাত যে Revenue Lost হ'ল তাৰ বাবে দায়ী কোন? মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

তাৰ পিচত আমাৰ নগাওঁত মন্ত্ৰী মহোদয়ে নিজৰ স্বাৰ্থ ৰাখিবলৈ গৈ, partyৰ স্বাৰ্থ ৰাখিবলৈ গৈ, উপাধ্যক্ষ মহোদয়, মই কওঁ শুনক এইযে চামগুৰী মৰিকলং চাৰং Fishery Deptt. য়ে লৈছে ইয়াৰ পৰা আজিলৈকে ১ পইচাও Revenue হিচাবে চৰকাৰলৈ ইমান দিনে অহা নাই। ইয়াৰ কাৰণ কি মন্ত্ৰীমহোদয়ৰ পৰা জানিব বিছাৰিছো? দ্বিতীয়তে আপুনি আচৰিত হব মৰিকলং নামৰ বিল খনৰ পৰা আজিলৈকে ২৮ হাজাৰ টকা চৰকাৰৰ লোকচান হৈছে। তাৰ লগে লগে মই মন্ত্ৰীমহোদয়ৰ পৰা জানিব বিছাৰিছো যে নগাৱত পকৰীয়া নামৰ যি খন বিল আছে সেই বিলখনৰ প্ৰথমতে ৭॥ হাজাৰ টকা মূল্য নিৰ্দ্ধাৰণ কৰিছিল আৰু সেই সময়ত গৰঙা বিলৰ মূল্য আছিল ১৬ হাজাৰ টকা। বৰ্ত্তমান পকৰীয়া বিলখনৰ ৮৬ হাজাৰ টকাত দিছে কিন্তু যিখন ১৬ হাজাৰ টকাৰ বিল আছে ১৯৬২ চনৰ পৰা সেইখন বিল মাত্ৰ ২০ হাজাৰ টকাত দিছে। মোৰ প্ৰশ্ন হ'ল যিখন বিল সেই সময়ত ৭॥ হাজাৰ টকাৰ আছিল সেইখন বিল ৮৬ হাজাৰ মূল্যত বেছিছিল কিন্তু সেই সময়ত যি খন বিল ১৬ হাজাৰত আছিল তাক বছৰি ২০ হাজাৰ টকাত দিয়া হৈছে কিয়?

তাত বাহিৰেও গৰঙা বিলৰ লগত ১০৩ নং গৰুচাদ, ১০৪ নং সমবায়ক চামিল কৰি দিছে। কিন্তু তাৰ আজিলৈকে Revenue fix হোৱা নাই। এনেকৈ কাৰবাৰ কৰিছেন যদি নীতিগত হিচাবে যি নীতিত চৰকাৰে পট্টন দিয়ে সেই নীতিক সমবায় ভিত্তিত প্ৰকৃত সমবায়ক দিলেহেতেন আমাৰ কবলগীয়া বিশেষ নাছিল। কিন্তু এফালে চৰকাৰৰ লোকচান ইমান টকা আৰু লগে লগে একেজন মহাজনকে ব্ৰহ্মপুত্ৰৰ দৰে প্ৰকাণ্ড বিলখন মূল্য নিৰ্দ্ধাৰণ নকৰাকৈ দিয়াৰ কথাতো আমি বুজি নাপাও? তাৰ লগে লগে

আপুনি আচৰিত হব একেজনকে বছৰি ৩ হাজাৰ টকাত ১৯১৭ চনৰ পৰা পট্টন দিছে। আচলতে গোটেই কেইখন বিলৰ মূল্য হব প্ৰায় ২॥ লাখ টকা। ইয়াৰ পৰা Revenue লোকচান হৈছে। এই লোকচানৰ আচল কাৰণ কি ? ইয়াৰ কাৰণ অন্য একোনাই। পূজিবাদক সমৰ্থন কৰি ৰাইজৰ মুখৰ ভাত কাঢ়ি অনাই ইয়াৰ প্ৰচেষ্টা। আপুনি আচৰিত হব কিছুমান অপ্ৰিয় সত্যৰ কথা শুনি যাক মই নিজ চকুৰে দেখিছো এই বিল সংক্ৰান্তত। জানুৱাৰীৰ ৩০/৩১ তাৰিখৰ দিনা যেতিয়া গুৱাহাটীত Public Accounts কমিটিৰ কাৰণে গুৱাহাটী Circuit House ত থাকো, তাত যিবোৰ কাণ্ড কাৰখানা দেখিলো সেই কথা ইয়াত কোৱা উচিত নহয় যদিও এটা কথা কব বিছাৰিছো টকা দিলে বা ললে তাত কোনো সাক্ষীবাদী নাথাকে আৰু তাক প্ৰমাণ কৰাটো জটিল হব। বোধ হয় মন্ত্ৰীমহোদয়ে নাজানে কিন্তু মই নিজ চকুৰে দেখিছো। তেখেতৰ আলম লৈয়ে হাজাৰে হাজাৰে টকা জাপে জাপে নোট ঢালি দিয়া মই নিজ চকুৰে দেখিছো। কিন্তু মই আগতেই কৈছো যে এইটো প্ৰমাণ কৰা জটিল হব যিহেতু সাক্ষীবাদী লৈ টকা পইচা নিদিয়ে বা নলয়। তাৰ পিচত এজন মানুহক সন্তুষ্ট কৰিবলৈ গৈ উত্তৰ গৰুভাৰ কাণ্ডলীলা কৰিছে কওঁ শুনক —

এজন মানুহক সন্তুষ্ট কৰিবলৈ গৈ বিলখনক উত্তৰ কাণ্ডুলী বিলখনত সাঙুৰিবলৈ চেষ্টা কৰি আছে। এই বিলখন দ আছিল আৰু তাত বড়ো খেতি কৰিছিল। কিন্তু এজন মানুহক সন্তুষ্ট কৰিবলৈ গৈ সেই হুকুমটোক নাকচ কৰিলে আৰু মন্ত্ৰী মহোদয়ে সেই তাৰ যোগে উচ্ছেদ কৰিবলৈ কৈছে। মন্ত্ৰীমহোদয়ে Schduled caste দুখীয়া কৈৰ্বত্ত সকলৰ দেখ দেখকৈ প্ৰতিনিধিত্ব কৰিছে। তেখেতৰ কৰ্ত্তব্য হৈছে তেখেতৰ আদৰ্শ অনুসৰি এই মানুহ খিনিক উন্নত কৰিবলৈ চেষ্টা কৰা, কিন্তু তেখেতে তাৰ পৰিবৰ্ত্তে এই লোকসকলক গাতত পেলাই দিছে।

উপাধ্যক্ষ মহোদয়, আপুনি ভাবি আচৰিত হব আৰু দুখ কৰিব যে আজি দেশখন কি অৱস্থা চলি আছে আমি কোৱা নাই যে আমি ভাল মানুহ আৰু মন্ত্ৰী সকল বেয়া মানুহ। কিন্তু আজি মই কব খুজিছো যে আমি প্ৰত্যেকেই আত্মবিশ্লেষণ কৰি আত্মদৃষ্টিৰে চোৱাতো দৰকাৰ হৈছে। আজি

২১ বছৰে শাসন যন্ত্ৰত অধিষ্ঠীত থকা লোক সকলে কি কৰিলে ? আমি কি কৰিলো ? দেশে ৰিচৰা ৰাইজে বিছৰা বস্তু অ মি দিব পৰিছোনে নাই। গান্ধীজীৰ নীতি অনুসৰণ কৰি সত্যক সাৰথী কৰি ভগৱানৰ নাম লৈ যি সকল লোকে ৰাইজৰ সেৱাৰ নামত নিজৰ স্বাৰ্থৰ কাৰণে ৰাইজক প্ৰবঞ্চনা কৰে দেশখনক প্ৰবঞ্চনা কৰে সেই সকল লোকৰ কেতিয়াও কল্যাণ হব নোৱাৰে।

মই স্বীকাৰ কৰো মৰ্য়া ভাল মানুও নহও। মই যেতিয়া ১৯৬২ চনত যি আশা আৰু অনুপ্ৰেৰণা লৈ ইয়াত সোমাইছিলো কিন্তু আজি সেই আশা আৰু অনুপ্ৰেৰণা ১৯৬৯/৭০ চনত সমূলী ধ্বংশ হৈ গৈছে। মই নিজে ভাল মানুহ নহও। যদি সৎ কৰ্ম্মৰ যোগেদি সৎ চিন্তাৰ যোগেদি দেশৰ বা ৰাইজৰ সেৱা কৰিব পাৰো তাৰ বাবেই চেষ্টা চলাইছো আৰু যি দিনা ৰাইজৰ স্বাৰ্থ বাদ দি নিজৰ স্বাৰ্থ লৈ চিন্তা কৰিম সেই দিনাই নিজৰ ভবিষ্যত ধ্বংশ হব বুলি ভগৱানে অভিশাপ দিব। এতিয়া পৰ্য্যালোচনা কৰিবৰ সময় হৈছে যে শাসক শ্ৰেণীয়ে কি ধৰণে অন্যায় কৰিছে আৰু দেশখনক শোষণ কৰিবলৈ সুবিধা দিছে।

উপাধ্যক্ষ মহোদয়; মন্ত্ৰীমহোদয়ৰ সমষ্টীত থকা, ধেকৰী গৰঙ্গা ছাগলী বন্ধোৱা মেৰাচল নদী মাফৎ ৰৌমাৰী এই সকলো বিলাক বিল Direct settlement দিয়া হৈছে। কিন্তু আচৰিত কথা যে এই Direct settlement বিলাকত কোনো Genuine সমবায় সমিতি নাই। নিজৰ স্বাৰ্থৰ কাৰণে কৰা ভুৱা সমবায়হে আছে। D. C. য়ে কৈছে যে এনেকৈ Direct settlement দিলে Revenue লোকচান হব কিন্তু মন্ত্ৰী মহোদয়ে সেইটো মনা নায়। এই Direct settlementৰ বিষয়ে চৰকাৰৰ নীতি হৈছে ১০০ ভাগৰ ভিতৰত ১০০ ভাগ অত মানে মাছ মৰীয়া সম্প্ৰদায় লোকেৰে গঠিত সমবায় দিব লাগে আৰু বিভাগীয় বিষয়াই নাইবা D.C. য়ে Recommend কৰি Co-operativeৰ ফালৰ পৰা আবেদন থকা স্বত্বেও এজন Defaulterক সেই Bill খন Direct Settlement ত দি দিলে আৰু উপাধ্যক্ষ মহোদয়, পিচত গোমৰ ফাকহৈ যায় বুলি মন্ত্ৰীমহোদয়ে file টো নিজৰ বুকুত সুমাই থলে কিন্তু শেষত যেতিয়া High Court ৰ নিৰ্দ্দেশত file টো ২৪ ঘণ্টাৰ ভিতৰত এৰি দিবলৈ বাধ্য হয় আৰু High

Court য়ে এই Settlement টো Cancel কৰি দিলে । এনেকৈ এজন Defaulterক নীতিগত ভাবে সহায় কৰা, পৃষ্ঠপোষকতা কৰাৰ দৃষ্টান্ত বহুত আছে । তাৰ পাছত D. C. য়ে tender Call কৰি ১৩ খন বিলত Settlement দিয়াৰ পিচতো মন্ত্ৰীমহোদয়ে stay order কৰিলে । আৰু নগাৱৰ গৰঙা নামৰ বিল এখনত D. C. য়ে tender Call কৰাৰ পিছতো মন্ত্ৰীমহোদয়ে Stay order কৰি তেওঁৰ পৰমবন্ধু পৰ্বতৰাম মহলদাৰক সেই খন Bill ৰ Direct Settlement দি দিয়ে । বিলখন ১৭ হাজাৰ টকাৰ দাম আছিল । আচৰিত কথা যে এই Co-operative বিলাকক Bogus Co-operative বুলি কৈছে । সেই Co-operative ৰ Secretary জনে কৈছে যে মন্ত্ৰীমহোদয়ৰ মাকৰ শ্ৰাদ্ধত ৫ মোন গাখীৰ আৰু Director of fisheries ক ৫ হাজাৰ টকা দিলে এই গণ্ডগোলৰ মাজতে "বুৰবন্ধাত" কালীমোহন দাসে এই গোটেই খিনি কথা শুনাইছে আৰু মন্ত্ৰীমহোদয়ক কোৱাত তেওঁ কলে যে মই এতিয়া Bombay লৈ যাও আৰু তাৰ পৰা ঘূৰি আহি মই নগাওত ইয়াৰ বিচাৰ কৰিম। এইদৰে কোঅপাৰেটিভ্‌ৰ নামত ধন মাৰি আছে । প্ৰকৃততে যিবিলাক কোপাৰেটিভৰ নামত ধন লৈ আছে সেইবিলাকৰ বেছি ভাগেই ভুৱা কোঅ-পাৰেটিভ । এইবিলাক কোঅপাৰেটিভৰ নামতেই তেওঁলোকে হিচাব দাখিল কৰিছে । এইমানুহ জনে মন্ত্ৰী মহোদয়ক অমুক দিলে তমুক দিলে। এনেকুৱা কথা কৈ ফুৰিছে । এনেকুৱা অনেক কথা আছে কিমান কব । নগাওঁ জিলাৰ লীলীবিল সমবায়ক সমিতিৰ প্ৰতি মন্ত্ৰীমহোদয়ে ইমান অভিভূত হল যে Register হোৱাৰ আগতে Registration ৰ যি Serial Number আছে তাৰ পৰা বিলখন Registration ৰ আগতে Settlement দিছে বুলি গম পাইছো। আকৌ শুনিবলৈ পাইছো নন্দিনী, কাৱৈমাৰী বিল খনো Dirцct Settlement দিয়া হৈছিল এইকাৰণে যে ইয়াত মন্ত্ৰীমহোদয়ৰ ভতিজাক এজন অংশীদাৰ । তাৰ বিৰোধিতা কৰি ৰাইজে আহি আমাৰ মূখ্য মন্ত্ৰীৰ ওচৰত Complain কৰিছিল । কিন্তু মূখ্যমন্ত্ৰীৰ ফালৰ পৰা বা চৰকাৰৰ ফালৰ পৰা কোনো ব্যৱস্থা নললে । বৰঞ্চ এই বিলখন দিলে ঘানী চৰকাৰ বুলি এজন মানুহক । আৰু শুনিবলৈ পাইছো

সেইজনৰ লগত মন্ত্ৰীমহোদয়ৰ ভতিজাকৰ অংশ আছে। সেইকাৰনেই তেওঁক পৰ্টন দিয়া হ'ল। তাৰ পিচত মইকও যে গৰভাজান নামৰ যিখন বিল আছে সেইখন নতুনকৈ Register কৰা হৈছে বুলি কোৱা হৈছে। এই সম্পৰ্কে লহৰি দাস নামৰ এজন মানুহক বিলখন দিলে কিন্তু সেই বিলখন দিলে কেনেকৈ? তেও genuine Co-operative বুলি সাত হেজাৰ টকা পালে। কিন্তু সেইমানুহ জনকেই আকৌ কিপ্তি কিপ্তি ভাৱে পাঁচ হেজাৰ টকা দিছে। সেই মানুহ জনে আকৌ কৈ ফুৰিছে যে তেওঁ ইফালে সিফালে যোৱাত, মন্ত্ৰীক লগ পোৱাত ১২ হেজাৰ টকা খৰচ হৈছে। আমাৰ এজন মন্ত্ৰীৰ বিৰুদ্ধে এনে কুৱা কথা কৈ ফুৰাটো ভাল কথা নহয়। এইবিলৰ কাৰণে আমাৰ এজন সহকৰ্ম্মী এই সদনৰে সদস্য এজনে Settlement ৰ বিষয়ে খবৰ লবলৈ যাওঁতে মন্ত্ৰীমহোদয়ে কাকো Settlement দিয়া নাই বুলি কৈছিল কিন্তু ১৫ মিনিটৰ পিচতেই অন্য এজন মানুহক এই বিলখন দি দিলে। এইদৰে আমাৰ সদস্যজনক মন্ত্ৰীয়ে চকুত ধুলি মাৰিলে। মৰিস্থতি টেপুৰি সোনাই গাৱঁৰ বিল কেইখন মই শুনামতে সেই একেজন মানুহকে দিলে এই কাৰণে যে সেই মানুহজনে মন্ত্ৰীমহোদয়ৰ ভতিজাকক ওঠৰ হেজাৰ টকাৰ এটা Press কিনি দিব বুলি প্ৰতিশ্ৰুতি দিছিল। তাৰ লগে লগে মানুহে মন্ত্ৰীমহোদয়ক Complain দিলে কিন্তু মন্ত্ৰীমহোদয়ক Complain জনোৱা স্বত্বেও সেইজন মানুহকে Settlement দিলে আনকি সেই অঞ্চলৰ কোনো এজন লোকসভাৰ সদস্যই আৰু কেইবা গৰাকী মান মহিলাই গৈ এই অন্যায়ৰ প্ৰতিবাদ কৰিছিল।

**Shri Mahendra Nath Hagarika:**— মাননীয় M.P. জনৰ নাম কি?

**Shri Dulal Chandra Barua:**— তেখেত হৈছে শ্ৰীলীলাধৰ কটকী আৰু কেইবা গৰাকী মহিলাইও এই অন্যায়ৰ প্ৰতিবাদ কৰিছিল। বোকনি বুলি এখন Defaulter Society আছে। এই Society ক টকা দিয়া ক্ষেত্ৰত কৃষি মন্ত্ৰীয়েও পৃষ্ঠপোষকতা কৰিছে। সেই Societyক ৰাতিৰ ভিতৰতে ইয়াৰ পৰা Trunk-call কৰি Register কৰিছে আৰু যিখন genuine Society আছিল সেই Societyক

Deprive কৰিছে। Co-operative মন্ত্ৰীয়ে জানো এই দৰে Recommend কৰিব পাৰে ?

উপাধ্যক্ষ মহোদয়, মই এতিয়া নগাওঁ জিলাৰ পৰা শিৱসাগৰ জিলাৰ খবৰ দিব খুজিছো। আপুনি আচৰিত হব যে আজি নগাওঁ জিলাত যিটো অৱস্থা চলিছে সেই কথা ভাৱি আচৰিত হও যে—আমাৰ ৰাইজৰ যি প্ৰতিনিধিত্ব কৰিছে তেওঁ ৰাইজক কি ধৰণে প্ৰতাৰণা কৰিছে। আমি যি সমাজৰপৰা আহিছো তেওঁলোকৰ প্ৰতি আমাৰ কৰ্ত্তব্য আছে। অকল সেইয়ে নহয় দেশৰ প্ৰতিও আমাৰ কৰ্ত্তব্য আছে। চৰকাৰৰ বিৰুদ্ধে কোনো কথা কলেও সদস্য হিচাবে আমাক Confidenceত লব লাগে। তাৰ পৰিবৰ্ত্তে যিবিলাক বিষয়া আছে তেওঁলোককহে Confidenceত লোৱা দেখা যায়। মন্ত্ৰীমহোদয়ে File বোৰ বুকুত বান্ধি লৈ কিনোগুনাগথা কৰি, কিনো ভাৱি চিন্তি চাই, কিনো হৰি কীৰ্ত্তন কৰি ৰাইজক প্ৰৱঞ্চনা কৰিছে। এই কথা শুনিলে ৰাইজে দুখ পাব আৰু সদস্য সকলেও দুখ পাব।

উত্তৰ লক্ষীমপূৰত এজন ধনী প্ৰবল প্ৰতাপী লোক আছে। তেওঁৰ নাম কান্ত বিষয়া। আমি শুনিবলৈ পাইছো এই বিষয়া মহাশয়ে Election ইত্যাদি বা বিয়াই সবাহে বহুতক সহায় কৰে। তেওঁ কিন্তু Scheduled Casteৰ মানুহ নহয়। এই মানুহ জনৰ কাৰণে ঢকুৱাখানা, ঘিলামৰাৰ ৰাইজৰ মাজত বাদ বিষম্বাদৰ সৃষ্টি হৈছে। এই মানুহজন ১২॥ হেজাৰ টকাৰ Defaulter হৈ আছে।

...............কিন্তু মন্ত্ৰীমহোদয়ে পৰামৰ্শ দিলে যে ৰাতিৰ ভিতৰত এটা সমবায় কৰি তাৰ চেক্ৰেটেৰী হওঁক। যি পৰামৰ্শ দিয়া হল সেই মতেই কামো হল। ৰাতিটোৰ ভিতৰতে সমবায় কৰিলে, চেক্ৰেটেৰীও হল—তেওঁ হল শ্ৰীকান্ত বিষয়া। তেওঁৰ নামত বহুতো Fishery হ'ল। এই কথাটোৰ বিষয়ে মন্ত্ৰীমহোদয়ৰ ওচৰত আপত্তি কৰি বহুতো আবেদন নিবেদন কৰা হ'ল। কিন্তু মন্ত্ৰীডাঙৰীয়াই সেইবিলাক কথা নেমানিলে। কাৰণ— মন্ত্ৰীডাঙৰীয়াৰ নিজৰ কথা,

নিজৰ লৰা ছোৱালীৰ কথা, নিজৰ ভৱিষ্যতৰ কথা ভাৱিব লাগিব। গতিকে সেইমানুহ জনকেই তেখেতৰ ইচ্ছা অনুযায়ী ৰজা পাতি থলে॥ তাৰ পিচত আৰু এজনক এনেকৈয়ে পাতিলে। সেই জন হল শ্ৰীদিবাকৰ মৰাং। তেখেত অৱশ্যে জনাজাতি সম্প্ৰদায়ৰ লোক আৰু সেই ফালৰ পৰা মোৰ বিশেষ কৰ লগা নাই। কিন্তু যিটো প্ৰক্ৰিতিৰে ডাং ধৰা Fishery টো দিলে সেইটো হ'ল ৰাজনৈতিক পদ্ধতি যিটো পদ্ধতি আমি সমৰ্থন কৰিব নোৱাৰোঁ। ইয়াৰ কাৰণে এই অঞ্চলত অসন্তুষ্টিৰ সৃষ্টি হৈছে যাৰ ফলত অদূৰ ভৱিষ্যতে আইন শৃঙ্খলাৰ কথা আহিব পাৰে।

উপাধ্যক্ষ মহোদয়, যি জন মানুহৰ বিষয়ে আলোচনা-বিলোচনা হৈ গৈছে আৰু যি জন মানুহে কাৰাবৰণ কৰিবলগা হৈছে সেই মানুহ জনক বহুতে বেয়া মানুহ বুলি কৈছে আৰু যিসকলে বেয়া বুলি কৈছে সেই সকলো নিশ্চয় বেয়া হব লাগিব। এইদৰেই যি পাৰ লাগে সেই বিলাকক বঞ্চিত কৰি নাপাবলগীয়া কিছুমানক দি সাধাৰণ মানুহৰ জীৱন ধাৰণৰ বিৰুদ্ধে দেশৰ নীতিগত প্ৰতিনিধি হিচাবে যি কাম কৰিব লাগিছিল সেই কামত মন্ত্ৰীডাঙৰীয়াই বাধা আৰোপ কৰিছে। সেই মানুহজন এখন সমবায়ৰ সভাপতি হয় কিন্তু তেখেত বিল লোৱাৰ কাৰণে নহয় মাছ পোহাৰ কাৰণেহে। মাছ পোহাৰ ক্ষেত্ৰত চৰকাৰৰ সহানুভূতি আছে বুলি আমি জানো। কিন্তু এই মানুহগৰাকীয়ে নামডাংৰ ওচৰত এডবা পানীৰ মাছখিনি ৰক্ষাকৰিবৰ কাৰনে মূখ্যমন্ত্ৰী আৰু মীন মহলৰ মন্ত্ৰীডাঙৰীয়াৰ ওচৰত আবেদন জনাইছিল যে তাত এখন শ্লুইচগেট কৰি দিব লাগে। মূখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মীনবিভাগৰ মন্ত্ৰীডাঙৰীয়াই প্ৰতিশ্ৰুতি দিলে কিন্তু কাম হলে একো নহল। এই দুখীয়া মানুহ জনৰ খাবলৈ নাই— তেওঁ জীৱন নিৰ্ব্বাহৰ কাৰণে এই Fishery টো কৰিব খুজিছিল আৰু যত চৰকাৰে নীতিগত ভাৱে সহায় কৰিব বুলি কাগজে পত্ৰে কয় তেনে স্থলত সেই মানুহ জনক চৰকাৰে দিয়া প্ৰতিশ্ৰুতি ভঙ্গ কৰি মানুহজনৰ জীৱিকাৰ স্থল অপহৰণ কৰি সৰ্ব্বস্বান্ত কৰিলে। সেই মানুহজনে উপায়ন্তৰহীন হৈহে Hunger Strike

কৰিছিল; পাৰোতে কৰা নাছিল। ৰাজনৈতিক মেৰপাকত মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ মেৰপাকত আৰু মীন মহলৰ মন্ত্ৰীৰ মেৰপাকত পৰি এই কৈৱৰ্ত্ত মানুহজনৰ বুকুৰ তেজ শোষণ কৰা হ'ল। কিন্তু তেওঁক আশ্ৰয় দিব নোৱাৰিলে আৰু এই ক্ষেত্ৰত গণতন্ত্ৰ অথলে গল বুলি কব লাগিব।

তাৰ পিচত উপাধ্যক্ষ মহোদয়, মাজুলী অঞ্চলত এই মন্ত্ৰীমহোদয়ৰ পৰিবাৰৰ ফালৰ মিটিৰ কুটুম্ব যথেষ্ট আছে। মিটিৰ কুটুম্ব থকাত মোৰ আপত্তি নাই কিন্তু জনসাধাৰনৰ জীৱন ধাৰনৰ বিৰুদ্ধে যদি তেখেতৰ মিটিৰ কুটুম্বক সা-সুবিধা বিলাক দিয়া হয় তেন্তে সেইটো বৰ দুনীতিৰ কথা আৰু মন্ত্ৰী ডাঙৱাই তেখেতৰ পৰিবাৰৰ মিটিৰ কুটুম্ব বিলাকক মাজুলী অঞ্চলৰ বহুত Fishery দিছে যি বিলাক চৰকাৰী নীতিগত ভাৱে অৰু জনসাধাৰণৰ স্বাৰ্থৰ হকে দিয়া উচিং নহয়। এইদৰে ৰাজনৈতিক আদৰ্শৰ বলিদান দিয়া হৈছে। এই কথা মই তেখেতক ব্যক্তিগত আক্ৰোশৰ কাৰণে নহয় দেশৰ বৃহত্তৰ স্বাৰ্থ আৰু জাতীয় স্বাৰ্থৰ ফালৰ পৰাহে কৈছোঁ। কাৰণ দেশৰ মঙ্গলৰ কাৰণে, জনসাধাৰণৰ জীৱন ৰক্ষাৰ কাৰণে, দেশৰ মৰ্য্যদা অটুত ৰাখিবৰ কাৰণে লাচিত বৰফুকনেও মোমায়েকক বলি দিবলৈ দ্বিধাবোধ কৰা নাছিল।

দক্ষিণপাটৰ বৰবিল Fishery খন তেখেতে এজন কৈৱৰ্ত্ত মানুহক নিদি নিজৰ স্বাৰ্থৰ কাৰণে দিলে গোপীনাথ নামৰ পিচ পৰা সম্প্ৰদায়ৰ লোক এজনক।

Shri Mohendra Nath Hazarika- (M) গোপীনাথ—কি ?

Shri Dulal Chandr Barua — কৈৱৰ্ত্ত সম্প্ৰদায়ত নাথ সম্প্ৰদায়ৰ মানুহ নপৰে। এইদৰেই তেখেতে গাইগুটীয়া ভাবে মানুহ বিলাকক Direct Settlement দিছে।এই direct settlementটো এই মানুহ জনক দিবলৈ দেখুৱাই দিলে— তেখেতৰ শালপতিয়েকক হে। এই কথা শিবসাগৰ আৰু মাজুলীৰ সকলোৱে জানে।

তাৰ পিচত আৰু এখন গতভা চাউলা বিলৰ Direct Settlement দিছে তেখেতৰ এজন বন্ধুক, যি জনক তেখেতে প্ৰাণৰ বুলি ভাৱে কিন্তু মই জনাত প্ৰকৃত তেওঁ ঘোৰ শত্ৰুহে। এই মানুহজনে ৰাতি ৰাতি এটা Society কৰিলে তাৰ পাচত D. C বা অন্যান্য অফিচাৰ সকলে Recomm-

end কৰা স্বত্তেও সহায় কৰিবৰ বাবে ৰঙদৈ গাৱঁৰ সমবায়ক নিদি এই বগাচ কোঃ অঃ চ'চাইটিৰ নামত দিলে তেওঁৰ এই প্ৰাণৰ বন্ধুকহে। তাৰ পাছত এই খনত মীন মন্ত্ৰী মহোদয়ৰ Stamp লগোৱা আছে আৰু তাত সত্য কথা আছে। সেইখন তেখেতৰ প্ৰাণৰ বন্ধুৰ পৰা আহিছে। তেখেত ঘৰুৱা ভাৱে মন্ত্ৰীৰ প্ৰাণৰ বন্ধু। তেখেতে আমাৰ পৰা যদি পৰামৰ্শ ললেহেঁতেন বা আমাক সুধিলে হেতেন তেতিয়া হলে, আমি কেতিয়াবাই সাৱধান কৰি দিলোহেতেঁন যাতে মন্ত্ৰীমহোদয় যেন জানি শুনি তেনে বিহ গুটি নাখায়। কিন্তু এতিয়া তেখেতে বিহগুটি খাইছে। সেই বিহগুটি হৈছে শ্ৰীধীৰমন ভঁৰালী দেখাত বৰ ধীৰ, স্থিৰ, গহীন, গম্ভীৰ, আৰু শান্ত। সেই সোলা মুৱাই শ্ৰীহুতীৰাম ভৰালীৰ নামত জাল চহী কৰি চৰকাৰলৈ লিখিলে আৰু চৰকাৰৰ ওচৰত দাখিলো কৰিলে। কিন্তু জাল চহী কৰাটো ধৰা পৰিল। তেতিয়া শ্ৰীদণ্ডিৰাম হাজৰীকা নামৰ মানুহজনে কলে যে যদি এহেজাৰ টকা দিয়ে তেনেহলে লিখালিখি কৰি সেইখন উঠাই লব পাৰিম কাৰণ তাৰে ৫০০ টকা মন্ত্ৰীৰ পৰিবাৰক দিব লাগিব। এই বিলাক কথা বাটে-ঘাটে আৰু হোটেলত কিয় শুনিবলৈ পাব লাগে। পাছত সেই মীন-মহল খন এই Bogus Co-operetive Society খনকে দিলে; যি খনৰ পৃষ্ঠপোষকতা কৰিছে তেখেতৰ শালপতিয়েক।

এতিয়া মই আহোঁ মোৰ নিজৰ সমষ্টিলৈ। মোৰ সমষ্টিত "ককিলা" নামৰ এখন মীনমহল আছে। সেইখনৰ ঘটনাও বৰ আমোদজনক। ককিলা গাৱঁৰ মানুহ বিলাকক কেইটামান ঠগ প্ৰবঞ্চকে আজি ১০/১২ বছৰে ঠগি সেই বিলখন খাই আছে। মই এই মানুহবিলাকৰ হকে আৰু ঠগ প্ৰবঞ্চকৰ বিৰোদ্ধে যুদ্ধ কৰিম। যিহেতু সেই মানুহ বিলাকে মোৰ আগত আপত্তি কৰিছে যে মই মিছাকৈ তেওঁলোকৰ প্ৰতিনিধি হলোঁ আৰু আজিলৈকে হেনো একো কাম কৰি দিয়া নাই। গতিকে মন্ত্ৰী মহোদয়ে যদি সেই দুৰ্বৃত্ত কেইজনক একো কৰিব নোৱাৰে তেন্তে মষেই তাৰ ব্যৱস্থা কৰিম। মই সত্যত আছোঁ আৰু ৰাইজৰ স্বাৰ্থৰহকে যুদ্ধ কৰিম। মোক মন্ত্ৰী মহোদয়েও শাস্তি দিব নোৱাৰে আৰু চলিহা চৰকাৰেও শাস্তি দিব

নোৱাৰে—শাস্তি দিলেও জেলতহে ভৰাই থব; কিন্তু ভগবানে মোক শাস্তি নিদিয়ে। কাৰণ মই সত্যত আছোঁ। মোৰ অন্তৰত যি সত্যতা আছে সেইটো কোনেও বন্ধ কৰিব নোৱাৰে দৰ্কাৰ হলে তেজৰ নৈ বৈ যাব আৰু লগে লগে বহুতে জীৱন দিব। তথাপিও মই সত্যৰ পৰা বিচলিত নহওঁ। আজি সকলো দলেই জানে ৰাইজৰ মাজত কি প্ৰতিক্ৰিয়া হৈছে। আন কি Dy leader ও জানে যে মোৰ কথাটো সত্য আৰু মোৰ তাত সকলো প্ৰমাণ আছে। আজি যি জন মানুহে অনুসূচিত সম্প্ৰদায় প্ৰতিনিধিত্ব পোনপটীয়া ভাৱে কৰিছে। সেই জনেই আকৌ নিজৰ সম্প্ৰদায়ৰ তেজ খাব ধৰিছে।

উপধ্যক্ষ মহোদয় তাত এখন সমবায় Fishery আছিল আৰু তাত শতকৰা ৯০ জন মানুহ অনুন্নত কৈৱৰ্ত্ত সম্প্ৰদায়ৰ আছিল। এওঁলোকৰ Fishery খন Registered কৰিছে ১৯৬১ চনত। কিন্তু মই জনা নাছিলোঁ যে এই সমবায়ত কেইজনমান চোৰ ঠগ প্ৰবঞ্চক সোমায় সাধাৰণ মানুহক —শোষণ কৰিছে। যেতিয়া গাৱঁৰ ডেকা সকলে আহি মোক আপত্তি কৰিলে। তেতিয়া মই মানুহ কেইজনক আশ্বাস দিছিলোঁ যে এই কথাটো মই মীন মন্ত্ৰীৰ লগত আলোচনা কৰি ব্যবস্থা কৰিম। সেই হিচাবে মই যোৰহাটত মন্ত্ৰীৰ লগত কথা হলোঁ কিন্তু মোৰ এটা ভূল হৈ গল যে মই মন্ত্ৰীৰ পৰিবাৰক মন্ত্ৰী হিচাবে নাভাবিলোঁ। এই Bogus Co-operative ৰ কথাটো A.D,C য়ে D.C. লৈ লিখিলে।

মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে আমাৰ ককিলা মুখ ফিচাৰীৰ সম্পৰ্কত কি ধৰণৰ বিভ্ৰান্ত চলিছে। আৰু এই ক্ষেত্ৰত মই কব খুজিছো যে যি খন মীন মহল স্থানীয় Assistant Register Co-operative আৰু D.C. এ Recommend নকৰা স্বত্তেও সেই মিন মহল খনক পট্টন দিয়া বুলি জানিব পাৰিছো। এই ক্ষেত্ৰত Co-operative ৰ Deputy Register এ এই কেইটা observation মন্ত্ৰী মহোদয় আৰু বিভাগীয় কৰ্তৃপক্ষলৈ দিছে। সেই কেইটা হ'ল (১) False personification (২) Wrong organisation (৩) Wrong Signature মই কব খুজিছো যে এই মানুহ কেইজনৰ খিয়াল মতেই উক্ত ছছাইটি খন ৰেজিষ্টাৰ কৰিছিল। ত্ৰইটো

কৰিছিল ১৯৬৪ চনৰ জানুৱাৰী মাহত যি ছছাইটিক আমি জেণুইন বুলি কৈছো সেইটো প্ৰকৃততে জেণুইন নহয়। তাৰ Reportটো D.C. এ ইয়ালৈ পঠিয়াইছে। সেই D. C.ৰ Report আওকান কৰি পট্টন দিছে। যিবিলাক মানুহক লৈ এই ছছাইটিখন গঠিত হৈছে সেই মানুহৰ সকলোৰে তাত চহী দিয়া নাই। জাল চহী কৰি Register কৰিবলৈ দিছে। এই কথা Deputy Co-operative Register ক জনোৱাত তেওঁ কলে যে তাত মন্ত্ৰীৰো হেনো হাত আছে তাত এই ধৰণে লিখিছে "বিনীত সন্মান পূৰ্ব্বক নিবেদন এই যে হাতীগড় মৌজাৰ নতুন মেলেং মাছ শিল্প সমবায় সমিতি ৰেজিষ্টাৰ নং ..................ছছাইটি খন চাৰিগাওঁ মৌজাৰ ভিতৰ ককিলা কৈৱৰ্ত্ত গাৱৰ ককিলা বিলৰ বিষয়। শ্ৰীযুত মেম্বৰ দাসে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে চাৰি গাও মৌজাৰ ভিতৰ ককিলা বাসিন্দা সকলৰ জাল নাম দি হাতীগড় মৌজাৰ নতুন মেলেং গাৱত বাসীন্দা বুলি নতুন মেলেং মাছ শিল্প সমবায় কমিটি নাম দি এখন জাল সমবায় কমিটি ৰেজিষ্টাৰ কৰিলে।

উক্ত চচাইটিৰ আমি সভ্য সকলে ছছাইটিৰ বাবে কোনো চহীপত্ৰ কৰা নাই, আৰু ছছাইটিৰ বাবে কোনো টকা পইছা জমা দিয়া নাই।

শ্ৰীমেম্বৰ দাসে নিজৰ টকাকে প্ৰতিজন সভ্যৰ নামত ৫০ টকা হিচাবে জমা দি মিছা ফাকি দি সভ্য ভৰ্ত্তি কৰি চছাইটি ৰেজিষ্টাৰ কৰে।

ছছাইটি ৰেজিষ্টাৰ কৰাৰ পিছত আমাৰ সভ্য সকলক সমবেত কৰি শ্ৰীমেম্বৰ দাসে ৯।১।৬৯ বৃহস্পতি বাৰে কয় যে মই এখন ছছাইটি তোমালোকৰ নাম দি ৰেজিষ্টাৰ কৰিলো আৰু তোমালোকে কোনো টকা পইছা জমা দিব নালাগে। মইয়ে সকলো জমা দিছো। তোমালোকে এতিয়া চহী দি সভ্য ভৰ্ত্তি হোৱা। তেতিয়া আমি কও যে তুমি আমাক কিয় জানিবলৈ নিদিয়াকৈ জাল ছাছাইটি ৰেজিষ্টাৰ কৰিলা। সেই বাবে আমি কেতিয়াও চহী কৰি সভ্য ভৰ্ত্তি নহও। গতিকে আমি গভৰ্ণ-মেণ্টৰ ওচৰত জনাম।

শ্ৰীমেম্বৰ দাসৰ এনে দুৰ্নীতি দেখি আমি আচৰিত হৈছো আমি চছাইটিত ভৰ্ত্তি হোৱা নাই আৰু নহও। তাৰোপৰি ৫।৬ বছৰীয়া

লৰা ২৫।৩০ বছৰ বুলি ফাকি দি সভ্য ভৰ্ত্তি—কৰিছে। উক্ত লৰাৰ নাম তলত লিখি দি গাঁঠি দিয়া হল।

উক্ত ছছাইটিখনৰ সভাপতি শ্ৰীবেবাই দাস। (প্ৰ: কছাৰী)ৰ বয়স মাত্ৰ ১৫।১৮ বছৰ হব। তাৰোপৰি বেবাই দাসৰ নামত কোনো স্থাৱৰ সম্পত্তি নাই। ইকৰানী গেজিঙলৈ উঠি যোৱাৰ বাবদ শ্ৰীবেবাই দাসে গভৰ্ণমেন্টৰ পৰা ৫০০ টকা ধন ধাৰলৈ লৈছে বৰ্ত্তমান ইকৰানীৰ পৰা গুচি আহি ভিতৰ ককিলা গাৱঁৰ ভিনীহিয়েক শ্ৰীমেম্বৰ দাসৰ ঘৰৰ আগতে এটা ঘৰ সাজি আছে।

সেই গতিকে মহোদয়ক কৰপুতে মিনতি জনাও যে উক্ত জাল ছছাইটি খন উঠাই দি আমাৰ দুখীয়া লোকক এই দুৰ্নীতি পৰায়ণ লোকৰ হাতৰ পৰা উদ্ধাৰ কৰক অনতি পলমে। এয়ে মহোদয়ৰ ওচৰত প্ৰাৰ্থনা" ইয়াৰ দ্বাৰা ইয়াকেই প্ৰমাণ হ'ল যে সকলো বিলাক Falsepersonification, Wrong organisation Wrong Signature তাৰ ওপৰতে ভিত্তি কৰি বগাচ ছছাইটিৰ Report D.C লৈ পঠায়। অতি দুখৰ কথা যে মন্ত্ৰীমহোদয়ে D. C ৰ Report আওকান কৰি Register Co-operative ছছাইটিৰ যোগেদি অনা হয়। কিন্তু এইটো Register Co-operative এ D.Cৰ যোগেদি অনাব লাগিছিল। ইয়াত Signature genuinity ৰ কথা কব নোৱাৰে তাৰ লগে লগে আৰু এটা কথা শুনি আচৰিত হব যে এই চছাইটিখনৰ যি জন সভাপতি তেওঁ মাত্ৰ ১৩।১৪ বছৰীয়া লৰা। নাম শ্ৰীবেবাই দাস এই কথা D.C ক verify কৰিবলৈ দিয়া হৈছিল। কিন্তু verify কৰি শ্ৰীবেবায় দাসৰ পৰিবৰ্ত্তে শ্ৰীকমল দাস নামৰ এজনক সভাপতি হিচাবে দেখুৱাইছিল। এই কথাত বাইজে হুলস্থুল লগাইছিল। এই চছাইটিখন ৰাখিবৰ বাবেই বুদ্ধি কৰি এই কাম কৰা হৈছিল। আৰু এইটো 'বেকডেট' দি লিখাই লৈছিল। তাৰ কাৰণেই কমল দাসক সভাপতি পাতিছিল। আৰু আচৰিত কথা যে এই চচাইটি খনৰ মেম্বাৰ সকল ১২।১৩।১৫।১৭ বছৰীয়া লৰা। আৰু আচৰিত কথা যে তাত মৰা মানুহৰ নামো সদস্যৰ

লিষ্টত আছে। লগতে ভিতৰ কৃকিলা কৈৱৰ্ত্ত মানুহ অন্য গাৱঁৰ বাসিন্দা বুলি দেখুউৱা হৈছে। আৰু ৰাইজে এই বিষয়ত আপত্তি দৰ্শাইছে। লগতে আৰু কৈছে যে তেওঁলোক মেলেঙৰ মানুহ নহয়। এইদৰেই ৰাতিৰ ভিতৰতে এই বগাচ Co-operative পতা হৈছিল।

যাৰ ফলত সত্যৰ অপলাপ কৰা হৈছে আৰু পাবলগীয়া মানুহে পোৱাৰ পৰা বঞ্চিত হৈছে। যি জন মানুহে পাইছে তেওঁ মেলেঙৰ মানুহ বুলি কৈছে কিন্তু প্ৰকৃততে তেওঁ মেলেঙৰ মানুহ নহয়. তেওঁ হ'ল ভিতৰ ককিলাৰ কৈৱৰ্ত্ত গাৱঁৰ মানুহ। এইটো কথা অনুসন্ধান কৰিবৰ কাৰণে Joint director নে Director য়ে তালৈ গৈ Enquiry কৰিছে আৰু তাত প্ৰমানো পাইছে। Enquiry Committeeক সকলো কথা কৈছে। অধ্যক্ষ মহোদয় এইটো বৰ আচৰিত কথা যেতিয়া মই আপোনাক এই বিষয়ে দৃষ্টি গোচৰ কৰিলো তেতিয়া মন্ত্ৰীমহোদয়ে সেই নেতা জনক মতাই অনালে, সেইটো নীতিগত কথা আৰু কিয় মাতি অনালে। বৰ দুখৰ কথা তেখেতে কি কাৰণে বুকুত File টো সুমাই লৈ বহি আছিল? "লেচি জনে সেই orderটো পাছ কৰাই লৈ গ'ল আৰু ইয়াৰ পৰা orderটো লৈ গৈ তাত ফুৰ্ত্তিফাৰ্ত্তা কৰি কৈৱৰ্ত্ত গাৱঁত গৈ কৈ ফুৰিব ধৰিলে মই মন্ত্ৰীক কিনিব পাৰো, মই ইমান হাজাৰ টকা মন্ত্ৰীক দিলো আৰু ইমূৰৰ পৰা সিমূৰলৈ এই লেচিজনে ভিতৰ ককিলা গাৱঁত এইবোৰ প্ৰচাৰ কৰি ফুৰিছে। এই লেচিজন আগতে Defaulter হৈছে। ইয়াৰ পিচত আচৰিত কথা যে মন্ত্ৰীমহোদয়ে লখিমীজানত যত মাছ বৰ বেচি হয় তাৰ পৰা ১২ হাজাৰ টকা লৈছে। আজি মই কব বিচাৰিছো যে যিটো Enq. Committee য়ে Enquiry কৰিছে সেই কৈৱৰ্ত্ত গাৱঁৰ পৰিস্থিতিলৈ চাই তালৈ Enq. Committee যোৱা নাই যেন অনুমান হয়। গতিকে এই Enquiry Report আমাৰ আগত দাখিল কৰিব লাগিব। সেই বাবে আজি নীতিগত ভাৱে মন্ত্ৰী মহোদয়ে ব্যক্তিগত মানুহক সন্তুষ্ট কৰিবলৈ গৈ চৰকাৰৰ নীতি অনুসৰণ নকৰি জনসাধাৰণক এই সুবিধাৰ পৰা বঞ্চিত কৰি অন্যায় ভাৱে ৰাইজৰ বিৰুদ্ধে যোৱাটো উচিত নহয়—আমি এই কৰ্ম্মৰ ঘোৰ বিৰুধিতা কৰিছো।

উচিত নহয় গতিকে আমি তাৰ বিৰোধিতা কৰিছো।

অধ্যক্ষ মহোদয় আৰু এটা কথা আপুনি শুনিলে আচৰিত হ্ব কেইদিনমান আগতেই আমাৰ সদস্য হাজৰীকা ডাঙৰীয়াই মঙ্গলদৈৰ কথাত ২৫ হাজাৰ টকা মন্ত্ৰীমহোদয়ে লোৱা বুলি কলে

আৰু মোৰ ফালৰ পৰা যিটো গম পালো যে এজন Capitalist মোল্লাক সেই বিলখন পট্টন দিছে বুলি মই জানিব পাৰিছো। আমাৰ যোৰহাটৰ এটা Co-operative societyক deprive কৰি কিছুমান আপোন মানুহক পট্টন দিয়া বুলি আমি প্ৰমান পাইছো। দুখৰ কথা মন্ত্ৰীমহোদয়ে কব পাৰে যে মই পবিত্ৰ আৰু ভাল। কিন্তু অধ্যক্ষ মহোদয় মোৰ এটা কথা মনত পৰে এজন উচ্চ বংশৰ ব্ৰাহ্মন আছিল, তেওঁ মদপানী নাখায় আৰু মদ পানীৰ নাম শুনিলে শ্ৰীবিষ্ণু শ্ৰীবিষ্ণু কৰে। এদিনাখন এজন মানুহে তেখেতক সুধিলে মদ খাবনে ? ক'ত পাব ! বুলি কয় তাৰ মানে পালে খাব।

Shri Mahendra Nath Hazarika— এই ২৫ হাজাৰ টকা মন্ত্ৰীক দিলে নেকি ?

Shri Dulal Chandra Barua — মন্ত্ৰীক দিব লাগে বুলিয়েই ললে যিয়েই নহওক আমাৰ কথাটো হৈছে যে মন্ত্ৰীমহোদয়ে কব এইটো কৰা নাই, সেই.টা কৰা নাই বুলি চিঞৰ বাখৰ কৰিব। গোসাঁই ঘৰত কোনে কল খালে, মই কল খোৱা নাই বুলি কৈছে এনেধৰণৰ ঘটনাই তাত হৈছে আজি দুখৰ কথা যেতিয়া মন্ত্ৰীমহোদয়ে হুলস্থূল দেখিলে তেখেতৰ পৰিবাৰে M.L.A Hostelৰ ৰূমে ৰূমে গৈ M.L.A সকলক কাকুতী কৰিলে।

(Avoice:— আমাৰ ওচৰত হলে অহা নাই)

এই কথাখিনি বিশেষ ভাৱে লক্ষ্য কৰিব বিচাৰো বা মন্ত্ৰীমহোদয়ে মীনমহলৰ ক্ষেত্ৰত চৰকাৰৰ নীতিক পৰিহাৰ কৰি Dircet Settlement ত কিয় দিয়ে ? আমি Direct Settlement সমৰ্থন কৰিব নোৱাৰো। আমি জানো যে এই Direct Settlement দিয়াৰ বা নিদিয়াৰ ক্ষেত্ৰত বহুতো কথা সোমাই আছে।

।সদিনাখন মাননীয় সদস্য Pitsing konwar ৰে কোৱাৰ দৰে Sericulture আৰু Weaving ৰ ক্ষেত্ৰত বিশেষ একো কাম হোৱা নাই কেইটামান Officer ৰ বাহিৰে তাত একোৱেই কাম নাই।

চৰকাৰে নীতি অনুসৰি Scheduled caste ৰ মানুহক বয়ন বিভাগৰ সা-সজুলী আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে কিন্তু Schedule caste ৰ মানুহে সদায়েই তাৰ পৰা বঞ্চিত হৈছে তাৰ লগে লগে Sericulture and Weaving Dept. firm কৰাৰ নামত বহুত টকা অপচয় কৰিছে। আৰু এটা আচৰিত কথা ঢকুৱাখানাত এখন firm নৌ হওতেই টকা পইচা খৰচ হল firm ৰ fencing নিদিয়াতেই Fencing ৰ কাৰণে টকা খৰচ হৈ গল আকৌ আফচ বিষয়াও নাই অথচ তেওঁলোকে থকা ঘৰ সাজোতেই টকা পইচা খৰচ কৰি ভৰাল উদং কৰিলে।

মাননীয় মন্ত্ৰীমহোদয়ে কলে যে, সকলো নিম্ন শ্ৰেনীৰ মানুহৰ প্ৰতি ঘোৰ অন্যায় কৰা হৈছে। বয়ন বিভাগত তেখেত মন্ত্ৰী হৈ থাকোতে সেই মানুহ বিলাকৰ স্বাৰ্থ, সেই মানুহ বিলাকৰ ভৱিষ্যত চাই তেওঁলোকৰ যি বিলাক অসুবিধা হৈছে সেই সম্পৰ্কে মই এটা প্ৰশ্ন কৰিছিলো। যে "এইটো কথা সচানে Department তৰফৰ পৰা কাৰ দৰমহা কেনে ধৰণে নিৰ্ধাৰণ কৰিব লাগে সেই সকলো ধৰণৰ পৰামৰ্শ Pay Committee ত দিয়া হয়। সেই পৰামৰ্শ অনুসাৰে Sericulture বিভাগৰ সকলো কৰ্ম্মচাৰীৰে দৰমহা বাধ্য কৰিব লাগে। কমিটিয়ে কেৱল ওপৰৱালা কৰ্ম্মচাৰী সকলৰ দৰমহা সেইমতে বঢ়ালে কিন্তু তলৰ কৰ্মচাৰী সকলৰ দৰমহাৰ বিষয়ে একোৱেই কৰা নহলে। বিভাগীয় কৰ্তৃপক্ষ তৰফৰ পৰা সেই কথাটো ভাবিব লাগিছিল। তেওঁলোকৰ কথা নভবাটো তেওঁ লোকৰ কাৰণে অন্যায় হৈছে বুলি মন্ত্ৰী মহোদয়ে নেভাবেনে? উপাধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে কৈছে তেওঁলোকৰ যে অন্যায় হৈছে সেইটো আমি অনুভৱ কৰিছো তাৰমানে এইটো কৰা দোষ হৈছে।

সেই কৰ্ম্মচাৰী সকলৰ, বিষয়া সকলৰ বেতন নিৰ্দ্ধাৰনৰ চেষ্টা কৰিব লাগে। কাৰণে মন্ত্ৰী মহোদয়ে জগৰীয়া। যিবিলাক Sericulture Demon-

strator, Weaving Demonstrator সেই সময়ত আছিল তেওঁলোকৰ Pay Scale ৰ কোনো ধৰণৰ ব্যৱস্থা কৰা নহল । জেইল বিভাগৰ মন্ত্রী মহোদয় নিজে জেইলত থাকিব লগীয়া হৈছিল । কিন্তু তেখেতে যেতিয়া জেইলৰ মন্ত্রীত্ব গ্রহণ কৰিলে । তেতিয়া জেইলৰ অৱস্থাৰ বিষয়ে একো নভবা হ'ল । জেইলৰ শিতানত কি কি আলোচনা চলিছে এই কথা মন্ত্রী মহোদয়ে নজনা নহয় উদাহৰণ স্বৰূপে যোৱা ১৯৬৮ চনৰ শেষত যোৰহাট জেইল নগাও জেইল আৰু শিলচৰ জেইলৰ বাবে বহুতো কম্বল অনাইছিল । তাৰ ভিতৰত নগাওঁ জেইলৰ বাবে ২৫০ খন কম্বল, যোৰহট জেইলৰ বাবে ৩৫০ খন আৰু শিলচৰ জেইলৰ বাবে ২৫০ খন কম্বল অনাইছিল, কিন্তু অধ্যক্ষ মহোদয় আপুনি আচৰিত হব যে এখনো কম্বল জেইলৰ কয়দীয়ে নাপালে আজি জেইলৰ ভিতৰলৈ যিবোৰ বস্তু Supply কৰা হয় তাৰ অধিকখিনি বস্তু আজি জেইলৰ কৰ্ম্মচাৰী সকলে খায় । কয়দীয়ে খাবলৈ নাপায় । আৰু এটা প্রশ্ন জাগিছে যে জেইলত মানুহ ভাল হবলৈহে থয় । কিন্তু জেইলৰ ভিতৰখন দুৰ্গন্ধৰে পৰিপূৰ্ণ । তাত কোনো কাপোৰকানিৰ ব্যৱস্থা নাই, Senitary ৰ কোনো ব্যৱস্থা নাই । জেইলৰ চাৰিওকাষ পৰিস্কাৰ কৰিবৰ কাৰণে সিদ্ধান্ত গ্রহণ কৰিব লাগে । জেইলৰ বিষয়াসকল দুৰ্নীতিত লিপ্ত হৈ কয়দী সকলক অত্যাচাৰ উৎপীড়ন কৰিছে ।

উপাধ্যক্ষ মহোদয়, যদিও শুনিবলৈ অপ্রিয় তথাপি মই কবলৈ বাধ্য যে যোৰহাট জেইললৈ মাজে মাজে মই চাবলৈ যাও কাৰণ আগতে মই তাত আছিলো । কিন্তু মই গৈ অতি আচৰিত হৈছো যে জেইলত যিমান Femal ward ত কয়দী আছে তেওঁলোকৰ অৱস্থা শোচনীয় অধ্যক্ষ মহোদয়, এইটো কব লগা কথা নহয় কিন্তু আপোনাৰ অনুমতি পালে মই কব পাৰো । কাৰণ কথাযাৰ বেয়া তেওলোকক ৰাতিয়ে দিনে উৎপাত কৰা হয় । আৰু ৰাতিয়ে দিনে তেওঁলোক শুব নোৱাৰা অৱস্থাত থাকে । এই বিষয়া সকলে তেওঁলোকৰ ওপৰত দুৰ্ঘোৰ অত্যাচাৰ কৰে । এই জনা মন্ত্রীৰ নেতৃত্বত আজি এনে হৈছে । এইজনা মন্ত্রীয়ে নৈতিকতাৰ কথা কয় । তেখেতে দুৰ্নীতিক প্রশ্রয় দিয়া নাইনে ? দোষীক শাস্তি দিবৰ কাৰণে কঠোৰ ব্যৱস্থা লোৱা উচিত । যদি মোৰ

তিৰোতা গৈ জেইলত পৰি থাকিব লাগে, আজি মন্ত্ৰী মহোদয়ৰ যি গৰাকী আদৰ্শ পত্নী, তেখেতৰ ওপৰত, মোৰ ভনী বা পত্নীক যদি অত্যাচাৰ কৰে তেন্তে সেই দোষীক শাস্তি দিয়া উচিত নহয়নে ? Fishery মহলৰ পৰা আৰম্ভ কৰি সকলো বিভাগতে এইজনা মন্ত্ৰীয়ে যি সময়ত মন্ত্ৰীত্ব কৰিছিল তাতে অন্যায় কৰা কথাটো সকলোৱে জানে । এইজনা মন্ত্ৰীক আমি শ্ৰদ্ধা কৰিছিলো । গান্ধীবাদৰ মন্ত্ৰী বুলি পাতি লৈছিলো । এইজনা মন্ত্ৰীয়ে গান্ধীজীৰ নামত কলঙ্ক আনিলে । অনুভূতিৰ ফালৰ পৰা কৰ্ত্তব্যৰ ফালৰ পৰা তেখেতৰ যিটো কৰ্ত্তব্য সেইটো নকৰি দেশৰ অকল্যানৰ সৃষ্টি কৰিছে । সেই কাৰণে মই কৈছো যে আৰু মন্ত্ৰীগৰাকীক অনুৰোধ কৰিছো যে, নিজৰ অন্যায় মানি লৈ নিজে নৈতিকতাৰ ফালৰ পৰা সোনকালে মন্ত্ৰীত্বৰ গাদী ত্যাগ কৰিলে গনতন্ত্ৰৰ প্ৰতি সন্মান দৰ্শোৱা হব । শেষত উপাধ্যক্ষ মহোদয়, তাকে নকৰিলে, যি বিলাকে তেখেতক সমৰ্থন কৰি ইয়ালৈ পঠাইছো তেওঁলোকে তেখেতক ইয়াৰ পৰা বাহিৰ কৰি দিব । এইখিনিকে কৈ মই সকলো সদস্যকে নৈতিকতাৰ ফালৰ বিবেচনা কৰি এই দুৰ্নীতি পৰায়ণ মন্ত্ৰীমহোদয়ক গাদীৰ পৰা বিচিন্ন কৰিবৰ কাৰণে কৈ মই মোৰ অনাস্থা প্ৰস্তাৱ সামৰণি মাৰিলো ।

The Home then adjourned for lunch till 2. P.m.

( AFTER LUNCH)

Re : **Adjournment of the Session.**

Mr. Speaker : I consulted Shri Gaurisankar Bhattacharyya and Shri Promod Gogoi who insisted upon adjournment of the House instead of prorogation. I consulted the Leader of the House who did not agree to the adjournment of the House because of certain difficulties. I gave due consideration to the matter and do not feel inclined to adjourn the House.

**Dr. Surendra Nath Das:—**

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই যি.টা অনাস্থা প্ৰস্তাৱ সদনত দাঙি ধৰিছে সেইটো সমৰ্থন কৰিবলৈ গৈ মই দুআষাৰমান কম। আজি যি জনা মন্ত্ৰীৰ বিপক্ষে অনাস্থা প্ৰস্তাৱ আনিছে মই সেইজনা মন্ত্ৰীক ছাত্ৰ অৱস্থাৰ পৰা জানিবলৈ পাইছিলো। তেখেত স্বাধীনতা যুদ্ধৰ যোদ্ধা আছিল। তেঁখেত এজন ঋষিতুল্য মানুহ আছিল বুলি মই সকলে পৰা ভাবিছিলো। কিন্তু আজি কি কাৰণে এইবোৰ তেওঁৰ বিপক্ষে আনিব লগাত পৰিছে, মই সেইটো কব পৰা নাই। আজি বৰুৱা ডাঙৰীয়াই যিবোৰ অনাস্থা প্ৰস্তাৱৰ কথা আনিছে আৰু প্ৰমান কৰিব নোৱাৰিলেও, যিবিলাক সদনত উত্থাপন কৰা হৈছে সেই কথা অতি লেতেৰা কথা। এই বিলাক কথাত এইজনা মন্ত্ৰী ডাঙৰীয়া আৰু ১/২ জন সদস্যই লিপ্ত থকা বুলি শুনিবলৈ পাইছো। আৰু যিবোৰ মানুহে আজি fishery মহলৰ কাৰণে খাপ পাতি আছে তেওঁলোকৰ দুৰৱস্থাৰ কথা শুনিলে লাজ পাও। যিবিলাক মানুহে fishery পাই তেওঁলোক ধনী সম্প্ৰদায়ৰ মানুহ আৰু এই ধনী মানুহ বিলাকে fishery পাই থাকে, প্ৰকৃত মাছমৰীয়া মানুহে fishery পোৱাৰ পৰা বঞ্চিত হয়। আজি আমি বিভাগীয় মন্ত্ৰীগৰাকীৰ বহুতো ক্ষেত্ৰত গৰিহণা শুনিবলৈ পাইছো সেইকাৰণে মই এই অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰি আমাৰ এই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনতি পলমে direct Settlement বন্ধ কৰি দিয়াৰ বাবে দাবী জনালো। সেইটো নকৰিলে মন্ত্ৰী মহোদয় এই গৰিহনাৰ পৰা ৰক্ষা নপৰিব। আজি আৰু এটা কথা উঠিব পাৰে যে direct Settlement নিদিলে মাছ মৰীয়া মানুহৰ প্ৰতি অন্যায় কৰা হব। কিন্তু এই ব্যৱস্থা ৰাখিলে প্ৰকৃত মাছমৰীয়া মানুহে এই সুবিধা গ্ৰহণ কৰিব নোৱাৰে কিন্তু এই মানুহ বিলাকক চৰকাৰে সকলো প্ৰকাৰে সহায় সাহাৰ্য্য দিয়া উচিত। তদুপৰি মাছমৰা কামত বিহাৰৰ পৰা মানুহ আনিব নালাগে সেই ঠাইত আমাৰ থলুৱা মানুহে Settlement ৰ যিটো Pnlicy হৈছে সেইটো বন্ধ কৰি আমাৰ থলুৱামানুহক যাতে সুবিধা দিয়া হয় সেই বিষয়ে চৰকাৰৰ দৃষ্টি আৰ্কৰ্ষণ কৰি অনাস্থা প্ৰস্তাৱ সমৰ্থন কৰিছো।

Shri Mohidhor Pegu :

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মন্ত্ৰী মহোদয়ৰ বিৰুদ্ধে এই অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ আগবাঢ়িছো। মই জয় জয়তেই এটা কথা নিবেদন কৰিব খুজিছো ইতিপূৰ্ব্বে পূৰ্ব্ববৰ্ত্তী বক্তা সকলে যেনে মতামত প্ৰকাশ কৰি গৈছে তাৰ পৰা আৰু নিজৰ মতামতৰ পৰাই মই মোৰ বক্তব্য কব খুজিছো। আমাৰ মীন মন্ত্ৰী ডাঙৰীয়াক এজন সহজ, সৰল সাধাৰণ প্ৰকৃত মানুহ হিচাবে আমি গ্ৰহণ কৰি আহিছো। কিন্তু কিয় তেঁখেত এই গৰিহনাৰ পাত্ৰ হব লগা হল? ইয়াতে এটা কথা মোৰ মনত উদয় হৈছে যে, "খাই কাৰশলা ডালত উঠিল, কাঠি চেলেকাৰ মৰণ মিলিল"। সি যিয়েই নহওঁক বহুতো বিষয়ত বিশেষকৈ কেইটামান ক্ষেত্ৰত তেখেতে নিজে যদি ইচ্ছা বা অনিচ্ছাৰে অনীতিত জড়িত নাথাকে তেতিয়া হলে হাজাৰ সমালোচনা হাজাৰ অনাস্থা প্ৰস্তাৱে তেখেতৰ গা লৰাব নোৱাৰে কিন্তু মোৰ সন্দেহ হয় যে, তেখেতে জানিও বা অ-জানিত ভাৱে অনীতিত জড়িত হৈছে বুলি মোৰ এটা ধাৰণা হৈছে। মই বিশেষ বিষদ ভাৱে এই সম্পৰ্কে আলোচনা কৰি সদনৰ সময় নষ্ট কৰিব নোখোজো। পূৰ্ব্ববৰ্ত্তী প্ৰস্তাৱ উত্থাপকে বিষদ ভাৱে এই সম্পৰ্কে আলোচনা কৰিছে। তাৰ ভিতৰত বহুখিনি চালি জাৰি যিখিনি পাব লগীয়া সেইটো মাননীয় সদস্যসকলে নিশ্চয় এটা সিদ্ধান্তত উপনীত হব পাৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত মোৰ এটা কথা বিশেষকৈ অনুভূত হৈছে সেই কথাটো হৈছে যে এই Fishery সংক্ৰান্তত বিশেষ ভাৱে আমি মনোনিবেশ কৰিব লগীয়া হৈ পৰিছে। আমাৰ সকলোৱে এই কথা জানে যে আজি খাদ্য সমস্যাই চূড়ান্তসীমা পাইছে। আজি দেশত খাদ্য বস্তুৰ অভাৱ। এনে খাদ্য সংকটৰ সময়ত মানুহৰ কি অৱস্থা হৈছে ভালকৈ লক্ষ্য কৰিলে দেখা যায়। আজি এনেকুৱা সঁহাৰি নোহোৱা মানুহৰ সংখ্যা লেখি শেষ কৰিব নোৱাৰা হৈছে। তদুপৰি জীৱনি শক্তি থকা খাদ্য প্ৰাণ থকা বস্তু নিভাজ নহয় সকলো বিলাক ভেজাল কেৱল মাছহে ভেজাল নহয়। এই মৎস্য যাৰ অৱতাৰ ধৰি পূৰ্বে ভগবানে সত্যব্ৰত ৰজাক পৰীক্ষা কৰিছিল সেই মৎস্যত ভেজাল নোহোৱাৰ কাৰণেই ভগবানে এই ৰূপে পৃথিবীত নামিছিল।

যি হওক মই মৎস্য বিশেষজ্ঞ নহওঁ। সকলো মানুহেই বিশেষকৈ আমাৰ গাওঁৰ অৰ্দ্ধহাৰী, অনাহাৰী চাহ বাগানৰ শ্ৰমিক নিবনুৱা আদিয়ে দিনটোৰ পৰিশ্ৰমৰ মূৰত লঘোনীয়া পেটত কৰ্ক্কৰা ভাত এমুঠি খাবলৈকে মাছ অকমানৰ দৰকাৰ হয়। কিন্তু তেওঁলোকক সেইটোৰ পৰা বঞ্চিত কৰিব ওলোৱা হৈছে।

আনহাতে যি জনস্বাস্থ্যৰ কথা চৰকাৰে দোহাৰে আজি সেই জনস্বাস্থ্যৰ সতীত্বহে হৰণ কৰিছে বুলি মই ভাবো। আজি বিলৰ খাজানা চৰকাৰৰ ওচৰলৈ গৈছে আজি এই কথা সকলোৱে স্বীকাৰ কৰিব যে বৃটিশ সাম্ৰাজ্যবাদী শাসক গোষ্ঠী দলে নকৰা কামো বৰ্ত্তমান চৰকাৰে কৰি আছে। আমাৰ এই বাম ৰাজ্যৰ শাসনতো সেই বিলাক চলি আছে। তেওঁলোকে সেই কাম কৰিবলৈ ইতস্তত: বোধ কৰা নাই।

এই সংক্ৰান্তত এটা বিশেষ ঘটনাৰ কথা উল্লেখ কৰিব খোজো যে মাজুলীৰ মীন মহলৰ বিষয়া এজনে ১৯৩৪ চনত মীন মহলৰ ১/১॥ মাইল দূৰত থকা মীন মহলত তেওঁৰ মীন মহলৰ অন্তৰ্ভুক্ত বুলি মাছ মাৰিবলৈ চেষ্টা কৰিছিল। তেতিয়া ওচৰ পাজৰৰ বহুতো ৰাইজে মোকৰ্দ্দমা তৰিলে সেই মোকৰ্দ্দমাৰ সিদ্ধান্ত অৰ্থাৎ সেই ইংৰাজ D.C. জনৰ যিজন আমাৰ দেশৰ D. C. নহয় তেওঁৰ সিদ্ধান্ত হৈছে এনে ধৰণৰ "Copy of the order passed by the Deputy Commissioner Sibsagar dated 8.2.34 on the petition of Dehi Miri and others of Karnolbari Mouza.

ORDER

In the next sale which will be held on the 14 th February, 1934 we may proclaim to the bidders before the sale that only "Khalsa Duar will be sold and not Kol Duar".

সেই মোকৰ্দ্দমা চলাৰ পিচতো ১/২ জন নহয় ৫/৬ জন মানুহে এৰা সুঁতিৰ বিলৰ ওপৰত দাবী কৰি আহিছে। এইটো আজি ৩২ বছৰে চলি আহিছে আৰু মাছ মাৰিবলৈ চেষ্টা কৰি আহিছে।

১৯৬৪ চনত এৰা সুঁতিৰ বিষয়াজনৰ ওচৰত আপীল কৰা কাবৌ কোকালি কৰাত, কাকুতি মিনতি কৰাত D.C. এ এৰা সুঁতিক লুইতৰ

লগত সামৰিবলৈ নিৰ্দ্দেশ দিয়ে। সেই সংক্ৰান্তত D.C. এ কৈছিল যে Copy of order dated 6. 12. 66 passed by the D.C. of Sibsagar, Jorhat on the note sheet in connection with File No. F. 17 of 1966-69.

Sub : Settlement of Luhit Erasuti fishery for 1966-69. Order : Seen S.D.C· Majuli's report No. MC. 3818 dated 30. 11. 66 as also the connected papers. It is seen that the collection of water locally known as 'Nal duar Nulla' cannot be regarded as a part and parcel of the Luhit Erasuti fishery, for the followng reasons. (1) The former is not connected with the latter by a perennial short and direct link, now is it an integral part of the latter. (2) None of the earlier lessees of the Luhit Erasuti fishery over the past 33 years had fished in this 'Nal duar Nulla'. (3) Hence, the present lessee of the Luhit Erasuti fishery has no right to fish in the Nal duar Nulla. (4) As this 'Nulla' is not and also has not been a part of the Luhit Erasuti fishery, the lessee is not entitled to claim any remission on account of his not being allowed to fish in the former. (5) Send copy of this order for information and n/a to the lessee ; S.D.C. Majuli O/C Majuli and President of G.P. concerned.

তাৰ পিচত আকৌ খোচামতি কৰাত D.C.লৈ তাগিদা গল। তেতিয়া চৰকাৰৰ পক্ষৰ পৰা D.C.এ মতাষত দিলে।

'Seen S.D.C. Majuli's report No. MC 684 dated 5.4.67. It is seen there from that there is no ground for changing my order, dated 6.12.66 holding that 'Nal duar' is not a part of Luhit Erasuti fishery. Inform all concerned accordingly.'

অধ্যক্ষ মহোদয় ইমান বিলাক হোৱা স্বত্বেও ৰাইজৰ ইননি বিননিৰ ফলত কিবা এটা দুৰ্বল মূহুৰ্ত্তত আমাৰ মন্ত্ৰীভাঙৰীয়াই বা কোনো উচ্চ পদস্থ কৰ্ম্মচাৰীয়ে এটা কাম কৰিব লগীয়া হৈছিল সেই খিনি ধৰিবলৈ যোৱা নাই॥ তাৰ পিচত গতি বিষম। খেতিয়ক থলুৱা ৰাইজে, যি ৰাইজে ৩০ বছৰ কাল ধৰি সেই বিলত নানা ৰকমে ভোগ কৰি আহিছে। পানী খোৱাকে আদি কৰি, মাছ খোৱাকে শেষ কৰি বহুতো ভোগ কৰি আহিছে।

মীন মহল বিভাগৰ মন্ত্ৰীডাঙৰীয়াক, নগাঁৱত যোৱাবছৰৰ ২০ অক্টোবৰ তাৰিখে অনুৰোধ কৰো; তাৰ পিচত মাৰ্চ্চ মাহৰ ২ তাৰিখে অনুৰোধ কৰি দৰখাস্ত দিয়া হয় আৰু ২৪ তাৰিখে মুখ্যমন্ত্ৰী মাজুলীলৈ যাওতে তেখেতৰ ওচৰত নিবেদন জনোৱা হয়। ইতিমধ্যে চিলংতো এটা সজাতি দলেৰে মুখ্যমন্ত্ৰীক নিবেদন জনোৱা হয়। এই নতুৱাৰ বিলৰ এৰাসুঁতিৰ মাছৰ যি Stay Order ৩০।৩।৬৭ তাৰিখে দিয়াহৈছিল, সেই Order দিয়াৰ পাচত আকৌ মন্ত্ৰীডাঙৰীয়াই তদন্ত কৰিবলৈ যায়। লগত গৈছিল Joint Director of Fishery. তেখেতসকলে কেনেকৈ তদন্ত কৰিলে সেই বিষয়ে তেখেতসকলেহে জানে। আৰু এটা কথা উল্লেখকৰা উচিত হব যে, ১৯৩৪চনৰে পৰা ৩৩বছৰ কাল ধৰি মাছ সংলগ্ন নোহোৱা Fishery সংলগ্ন কৰিবৰ কাৰনে চিলঙৰ পৰা এটা সীমা নিৰুপন কমিটি যায়। সেই সীমা নিৰুপন কমিটিত স্থানীয় কৰ্ম্মচাৰী কোনো নাই। স্থানীয় বিষয়া সোমাই সীমা নিৰ্দ্ধাৰন কৰা হ'লে তাৰু তাত লিখা আছে, চাৰীসীমাত আছে। এতিয়া অধ্যক্ষ মহোদয় মই ভাবিলে আচৰিত পাও যে, South Bank ৰ কাম North Bank পৰা বুলিলে আমি কি বুজিব লাগিব। য'ত পানী শেষ হয়, ইংৰাজীত সেই খিনিক Bank বোলা হয়, আৰু অসমীয়াত তাকে পাৰ বোলা হয়। আৰু যদি কয় কাঠ গড়া তেনেহলে এইটো উত্তৰ লক্ষীমপুৰ পাবগৈ। আৰু উত্তৰ পাৰ বুলিলে ন-তুৱাৰকে সামৰি ১॥ মাইল ২ মাইল দুৰত্ব আছে। বাকী উত্তৰ ফালে ওখ কৰি থাকিলেই তাক কাঠ গড়া বুলি উল্লেখ কৰিছে। তেনেস্থলত, সীমা নিৰ্দ্ধাৰন কি আমি বুজি নাপাও। লিখা মতে দেখাযায়, এইটো ঠিক আছে। বহুতে বহুত ৰকমে বুজিবলৈ গৈ এইটোৰ বিকৃত অৰ্থ কৰিছে। অধ্যক্ষ মহোদয়, আমাৰ কথা হৈছে, আৰু মই প্ৰথমতেই কৈছো যে' আমাৰ জীৱনী শক্তি, যিটো একমাত্ৰ সম্বলস্বৰূপ, মাছৰ ওপৰত কেৱল মাত্ৰ চৰকাৰে ৰাজহৰ কাৰনেই চিন্তা কৰি যায়, তেতিয়াহলে আমি মাৰাত্মক বিপদ মাতি অনাহব; জাতিৰ জীৱনী শক্তি নষ্ট কৰা হব। এই সকলো বিলাক পুখুৰী কেৱল মাত্ৰ মীনমহলৰ কাৰনেই ব্যৱস্থা কৰা নাই। মই আমাৰ মীনমহল মন্ত্ৰীডাঙৰীয়াৰ মুখত এই সম্পৰ্কত একাধিকবাৰ বহুত কথাই শুনি আহিছো। কি প্ৰোটিন যুক্ত খাদ্যক জনসাধাৰনৰ পৰা খাজনাৰ চাহিদা পূৰাবৰ কাৰনে যি ২।৪টা ডোং আছে তাকো চৰকাৰে

ৰাজহৰ কাৰনে মীনমহললৈ ৰূপান্তৰিত কৰি হুজুবা চহা মানুহৰ জীৱনী শক্তি নষ্ট কৰিছে। এনেকুৱা ব্যৱস্থাৰ কোনো বিবেক যুক্তিয়েই চৰকাৰৰ হব নোৱাৰে। ফিছাৰীৰ পৰা কেনেকৈ দুটা পইছা খাজনা আহিছে অকল সেইটোকে নকৰি, মানুহে যাতে এই বিলাক পাব পাৰে তাৰ ব্যৱস্থা কৰক। এই Fisheryৰ হাজাৰ হাজাৰ সংখ্যক কানি নষ্ট হৈছে আৰু কোটি কোটি মাছ ওপঙি মৰিছে, তাতে মীন প্ৰন্নয় বিভাগৰ কোনো ভ্ৰুক্ষেপ নাই। যোৱা বছৰতে ৩।৪ মাহ ধৰি বহুত মাছ ওপঙি মৰিছে। বিশেষকৈ মাজুলীত (সময়ৰ সংকেত) কিছুমান পুখুৰী Asses. কৰিবৰ কাৰনে মহকুমালৈ Order দিছিল আৰু মই D.C.ক সুধিছিলো আৰু তেখেতে কলে, "হয় দিছে।" আমি Minister সজাতি দলেৰে সৈতে আকৌ কাবৌ কোকালি কৰিলো; Revenne Ministerক দিলো "হে প্ৰভু" মাইকী মানুহে জকাই জুলুকি মাৰিছিল তাকো চৰকাৰে নেৰিলে। আমাক যে মীনমহল নালাগে আমি সেইটো নাভাবো। কিন্তু, সেই বুলি এই কথা নহব যে, যত পানী আছে তাতেই Fishery হব। আমাৰ মীনমহল মন্ত্ৰীভাণ্ডৰীয়াই এইটো সিদ্ধান্ত লৈছেনেকি মই—এই বুলি সোধাত, তেখেতে কলে 'অ' নিশ্চয় লাগিব। মই ভাবিছিলো আৰু গান্ধী টুপীধাৰী তেখেতক দেখি খুব ভাল পাইছিলো। বৃটিছৰ দিনতো দুটা Fishery আছিল। কিন্তু আমাৰ Ministerৰ দিনত ইমানকৈ Fishery কিয় কৰিবলগা হৈছে আমি ভাবি নাপাও। ফলত পুঠিমাছ এটা পুৰিও আমি বা আমাৰ গাৱৰ মানুহে কৰ্কৰা ভাত এমুঠি খাব নোৱাৰা হল'। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰনিমাৰি এই অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Kandarpa Narayana Banaikya—মাননীয় অধ্যক্ষ মহোদয় আজি মই বৰ দুখেৰে এই অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান কথা কবলৈ ওলাইছো। অধ্যক্ষ মহোদয় আপুনি জানে, আমাৰ মাছ বিভাগৰ মন্ত্ৰী অনুন্নত সম্প্ৰদায়ৰ। মইও এই সম্প্ৰদায়ৰে মানুহ। মই যেতিয়া শুনিবলৈ পালো যে চলিহা, Ministry ত তেখেতে ঠাই পাইছে। মই এইটোত বৰ আনন্দ পাইছিলো কাৰণ মই তেখেতৰ লগত ব্যক্তিগত ভাৱে পৰিচয় হৈছিলো ১৯৩৯ চনত ৰহাত।

মই তেখেতক পাই মুগ্ধ হৈছিলো আৰু কৈছিলো যে আজি কৈবৰ্ত্ত সম্প্ৰদায়ৰ মানুহৰ থাকিবৰ ঘৰ নাই, খাবৰ ভাত নাই আৰু নানান কথা। কিন্তু আচৰিত কথা, ইমানকৈ অনুৰোধ কৰা স্বত্তেও তেওঁৰ মন লৰাব নোৱাৰিলো। আজি যি টামৰংগা অঞ্চলত Co-opertiveৰ President হৈছে তেওঁ বহুতো মানুহক Arrest কৰাইছে আৰু লুটপাট কৰাইছে আৰু নানান কষ্ট দিছে। মই নিজে আৰু মাননীয় সদস্য শ্ৰীমথুৰা। মোহন সিনহাই মুখ্যমন্ত্ৰীলৈ Telegram দিছিলো কিন্তু তাৰ কোনো বিচাৰ আজিও নাই।

অধ্যক্ষ ডাঙৰীয়া যোৱা বছৰ মোৰ অনুপস্থিতিতে তেখেতে এটা Programme কৰি নিছে এই বিলখন পৰিদৰ্শন কৰি আহিছে আৰু তাত ১০০ খন সৰু সৰু Pocket আছে তাত মাছ জীয়াই ৰাখিব পাৰি বুলি নিজে স্বীকাৰ কৰি আহিছে। আৰু তাত S. D. O লৈ লিখি পানী মেটেকা গুচাবৰ কাৰণে ৪০ হাজাৰ টকাৰ বিলও কৰিছিল। মই তেতিয়া কলো হাজৰীকা মই Opposition ৰ মেম্বাৰ হলেও ৰাজহুৱা টকাৰ অপব্যয় কৰাটো ভাল নাপাও। যি ঠাইত ১০ হাজাৰ টকাৰে কাম চলাব পাৰি তাত ৪০ হাজাৰ খৰচ কৰাটো কি দৰ্কাৰ। তাৰ পিচত মই তেখেতক সোধাত তেখেতে কলে যে পানী মেটেকা বাহিৰ কৰিদিয়া চৰকাৰৰ গৰজ নহয় নিজে নিজে উলিয়াই লব। এই বিলসম্পৰ্কে বৰুৱা ডাঙৰীয়াই বহুতো কথা কৈ গৈছে। মই মাত্ৰ কব খুজিছো যে এওঁ মন্ত্ৰীত্ব গিৰি কৰি থকাৰ ফলত অসমৰ ৭ লাখ Scheduled caste ৰ মানুহৰ সৰ্বনাশ কৰিছে গতিকে তেওঁ গাদী ত্যাগ কৰিব লাগে। এওঁৰ মন্ত্ৰীত্বগিৰিৰ ফলত আমাৰ অৱস্থা বেয়া হৈ আহিছে আৰু এওঁ মন্ত্ৰী হৈ থাকিলে অৱস্থা আৰু বেয়া হৈ য়াব। মন্ত্ৰীয়ে গাদী ত্যাগ কৰিলে উপযুক্ত মানুহ বহুত আছে কংগ্ৰেছৰ ফালেও বা Opposition ৰ ফালেও অধ্যক্ষ মহোদয় আমাৰ নিজৰে লাজ লাগে। যেতিয়া কোনোএটা প্ৰশ্ন সোধা সময়ত মন্ত্ৰীয়ে চপা কাগগজখনো ভালকৈ পঢ়িব নোৱাৰে। স্কুললৈ ঘৰত পঢ়ি নহা লৰা.ছাৱালী বিলাকৰ স্কুলত কোনো এটা পাঠ পঢ়োতে যেনেকৈ খোকোজা লাগে ঠিক মন্ত্ৰীমহোদয়ৰ একে অৱস্থা অধ্যক্ষ মহোদয়

Scheduled caste ৰ পৰা প্ৰতিনিধিত্ব কৰা মন্ত্ৰীএগৰাকীৰ এই অৱস্থাত আমি নিজে দুখ পাইছো। গতিকে তেওঁ গাদী ত্যাগ কৰি উপযুক্ত মানুহক বহুৱাই দিয়ক।

Motilal Nayak—মাননীয় অধ্যক্ষ্য মহোদয় মীন মহল বিভাগ টোক আলোচনা কৰি যি অনাস্থা প্ৰস্তাৱ আহিছে সেই কমিটিৰে মেম্বাৰ হিচাবে মই তাক সমৰ্থন কৰিছো।

মীন বিভাগটো আমাৰ বৰ্ত্তমান যুগৰ বাপোতি সাহোন। আমাৰ মাননীয় সদস্য শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াইও কৈছে যে অনুন্নত সম্প্ৰদায়ৰ মানদণ্ড উন্নত কৰিবৰ কাৰণেই এই fishery deptt. দিয়া হৈছে। আজি Scheduled caste ৰ মানুহ খিনিৰ কাৰণে সদনত সকলোৱে জাতিভেদ নামানি উন্নতিৰ এটা যি চিন্তা কৰিছে তাৰ কাৰণে মই তেখেত সকলক ধন্যবাদ জনাইছো। কিন্তু অন্যফালে দুখ লাগে যে আজি আমাৰ Scheduled caste ৰ কৈৱৰ্ত্ত সম্প্ৰদায়ৰ মানুহখিনিৰ কাৰণে আপোনালোকে যেনেকৈ ভাবিছে অইনপিনে আমাৰ Scheduled caste ৰ বনীয়া কমিটি আৰু হীৰা সম্প্ৰদায়ৰ কাৰণে সদনত কোনেও নাকান্দে। মই এই কথা বুজিছো যে য'ত ধন আছে তাত সমালোচনা আছে আৰু মানুহৰও চকু তাত বেছিকৈ পৰিছে। Fishery বিভাগত প্ৰথমে অসমৰ অন্য মানুহে চুই নোচোৱা অৱস্থাত আছিল মাত্ৰ কৈৱৰ্ত্ত সম্প্ৰদায়ৰ মানুহেহে এই কাম কৰিছল। কিন্তু আজি অসমৰ সকলো সম্প্ৰদায়ৰ মানুহৰে এইটো এটা ব্যৱসায় হৈ পৰিছে আৰু প্ৰত্যেকৰে ইয়াত Interest বেছি হৈ পৰিছে। নতুন M.L.A হিচাবে এই সদনত প্ৰথম সমালোচনাতে মই কৈছিলো যে অসমত ৯৮ খন Co-operative বেনামী আৰু তাত ধনী মানুহ জড়িত, কিন্তু চৰকাৰে তালৈ কানষাৰ নিদিলে। তাৰ পিচত Schedule caste ৰ সম্প্ৰদায়ৰ পৰা মন্ত্ৰীহৈ আহিল আৰু তেতিয়া আমি ভাবিছিলো যে Schdule caste ৰ মন্ত্ৰী হিচাবে Schedule caste ৰ প্ৰতি ১০ % হলেও তেখেতৰ আগ্ৰহ থাকিব। আৰু তেখেতক তেতিয়াও কৈছিল যে Delay is danger কিন্তু কামত নাহিল।

তাৰপিচত আমাৰ শ্ৰীযুত মইনুল হক চৌধুৰী ডাঙৰীয়া যেতিয়া এই বিভাগৰ মন্ত্ৰী আছিল, তেখেতৰ বিষয়ে মই এটা উদাহৰণ দি কব খুজিছো আমি তেতিয়া M.L.A হোৱা নাই।

(হৰ্ষধ্বনি)

তেখেতৰ ওচৰত Direct Settlement ৰ কাৰণে গোৱালপাৰা, কাছাৰ আৰু বৰপেটা অঞ্চলৰ পৰা যেতিয়া মানুহ আহিল আৰু তেতিয়া তেখেতে লিখি দিলে যে I can not consider it, তাৰ পিচত তাৰ ১ মাহ পিচত Direct Settlement পালো। আমাৰ বণিক্যৰ সমষ্ঠিৰে ১ নং ব্ৰহ্মপুত্ৰ গোৱালপাৰাত কিন্তু মই কব খোজা নাই যে আমাৰ হক চৌধুৰী ডাঙৰীয়া দেৱ Corrupted মানুহ আছিল।

(হৰ্ষধ্বনি)

বৰপেটা হৈছে Fishery ৰ কেন্দ্ৰস্থল। গতিকে ইয়াৰ পৰাই গোটেই অসম খনক Control কৰে বুলি কলে বেছি কোৱা নহয়। সেইমতে বৰপেটাৰ পৰা ১৫ হাজাৰ টকাৰ Fishery নিলো।
Schedule caste ৰ কাৰণে Reserve Seat দিয়ে। আমাৰ মন্ত্ৰী ডাঙৰীয়াৰ নিচিনা মানুহ, বণিক্যৰ নিচিনা মানুহ আৰু ডাঃভুপেন হাজৰিকাৰ নিচিনা মানুহেও Reserve Seat ৰ পৰা অহা। ডাঃ ভুপেন হাজৰীকাৰ নিচিনা এজন মানুহেও General Seat ৰ পৰা আহিব পৰা নাই, তেওঁও Reserve Seat ৰ পৰা আহিব লাগে।

(A voice ভুপেন হাজৰীকা সদনত জনা মানুহ)
I Support it. কিন্তু মাণিক দাস, শ্ৰীবিষ্ণুৰাভা নিচিনা মানুহ General Seat ৰ পৰাও আহিছে। সেই কাৰণে মই আশাকৰো আৰু সদনৰ দৃষ্টি আকৰ্ষণ কৰিলো যে কৈৱৰ্ত্ত সম্প্ৰদায়ৰ কাৰণে সদনত যেনেকৈ সকলোৰে প্ৰাণ কান্দি উঠিছে তেনেকৈ হীৰা বা বণিয়া সম্প্ৰদায়ৰ কাৰণেও যেন সদনত সকলোৰে প্ৰাণ কান্দি উঠে।

তাৰ পিচত কব খুজিছো যে এই Fishery Deptt. টো System defective.

(হৰ্ষধ্বনি)

মই বেছিকৈ Explain কৰিব খোজা নাই, ২ বছৰৰ অভিজ্ঞতা থকা M.L.A সকলে নিশ্চয় বুজি পাইছে। এই সম্পৰ্ক চৰকাৰ যি Rule ৰাখি Board, সেই Board ৰ মধ্যো Member হিচাবে কৈছিলো যে

পোনপটিয়া বন্দ বস্ত বা Direct Settlement দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ বদনাম হব পাৰে। অৱশ্যে কব পাৰে যে ২০ ·/. তাত above ধৰে আৰু Tender ত নাবাঢ়ে কথাটো কিছু সত্য। Tender call কৰে কিন্তু Schedule Caste নেপায় বৰপেটাত যি কেইটা fishery আছে সেই আটাই কেইটাই Schedule caste সম্প্ৰদায়ৰ মানুহৰ নহয়। অৱশ্যে এইটোও ঠিক যে Schedule caste ৰ মন্ত্ৰী হলেও তেখেতেও বহুত সময়ত সমস্যাত পৰে কিয়নো প্ৰত্যেকেই যদি আহি তেখেতক হেচি ধৰে তেনেহলে তেখেতে কাক দিব? fiishery সম্পৰ্কে ৰিপোট SD.O ৰ পৰা ঠিকেই আহে বুলি জানিছো মাত্ৰ ইয়াত হীনদেড়ি হয়। এই দৰে অনুন্নত সম্প্ৰদায় মানুহৰ উন্নতিক deprive কৰিছে।

এই Fishery বিলাকৰ কাৰণে টকা নাই, টকা পইচা নোহোৱাকৈ Seheduled Caste কি উন্নতি কৰিব ? গতিকে মই চৰকাৰক অনুৰোধ কৰো যাতে সোণকালে এই Schdule caste কাৰণে বেংকৰ ব্যৱস্থা কৰি দিয়ে। বেংকৰ পৰা 'লোন' দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰত্যেককে 'লোন' দিলেহে আমি আশা কৰা মতে উন্নতি হব। এতিয়াই ডেপুটি মিনিষ্টাৰে কৈ গৈছে যে বিল বিলাক চৰকাৰে Register কৰিব লাগে । কিন্তু বহুত ঠাইত তেনেকুৱা বিল আছে যি বিলাক চৰকাৰে Register কৰা নাই। পীকাৰৰ সমষ্টিতে তেনেকুৱা বহুত আছে। ৰেভিনিউ মিনিষ্টাৰৰ কথাকে কওঁ তেওঁ মোতকৈ বেছি জানে। তেওঁৰ ওচৰতে এটা বিল আছে যিটোৰ দ্বাৰা ১০/১২ খন গাওঁ উপকৃত হব পাৰে। এই কাৰণেই মই তেখেতে কোৱা Fishey সম্বন্ধীয় কথাত একমত হব নোৱাৰো। আজি চাউল খোৱাৰ সেই ফালেও আছে আৰু এই ফালে আছে। দুইপাৰে বহুত জাগা ৰাখি থৈছে। ৩ হাজাৰৰ ঠাই এতিয়া ১৪ হাজাৰত পৰিছেগৈ। এই বিলাকৰ দ্বাৰা Public উপকৃত হব পৰা নাই, যদিও মাত্ৰ ইয়াত মাছ মাৰিহে খায়। এই Fishery বিলাক Register কৰিবলৈ টকা লাগে ৫০ কোটি টকাৰ ঘাটি বাজেট আমাৰ। গতিকে Fishery Register কৰিবলৈ টকা ওলাই ক'ত। কিন্তু ঘাটি বাজেট হলেও খাদ্যপ্ৰাণ মাছ আমাক লাগে। এই কথা বিলাক তেনেকুৱা ধৰণৰ কোনো দিনেই নিমিলে। অনাস্থা আনিবলগীয়াই কথা।

কোঅ'পাৰেটিভ System ৰ দ্বাৰা কাম কৰাৰ চেষ্টা কৰিছে। তাত ১১ জন মেম্বাৰ এটা ঘৰতেও হব পাৰে। কিন্তু দিনে ৰাতি হাতে ভৰি লিখিলেও শেষ নহয়।

আজি আমাৰ Scheduled casteৰ ভাই বন্ধু সকল উপকৃত হব পৰা নাই। শ্বিলঙত থকা সকলে কিছু পাব পাৰে। আজি আমাৰ হাজৰীকা মন্ত্ৰী ডাঙৰীয়াই দয়া কৰি দুইটাকে "মাৰ্জ" কৰি এটা কৰি দিছে। কিন্তু আমাৰ Main উদ্দেশ্য হৈছে Scheduled caste ৰ উন্নতি কৰাটোহে। S.D.O বিলাকৰ পৰা বেয়া ৰিপোৰ্ট পালে বেয়া পায়। কিন্তু ৰিপোৰ্ট বিলাক ভাল। যি বিলাক বিলৰ ৰিপোৰ্ট আছে সেই বিলাক প্ৰায় ভাগেই ভাল।

আজি ¼ ভাগ ৰেভিনিউ বেঙ্কত জমা দিব লাগিব। যদি নিদিয়ে তেন্তে কোনো উপায়ে Scheduled caste ৰ উন্নতি কৰিব নোৱাৰে definitely নোৱাৰে।

আজি চাওক এটা Society ৰ কথা কওঁ। জনিয়া বিলৰ Society ৰ কথাকে কওঁ। এই Society ৰ ৭ বছৰ হল। ৩ বছৰ বিল লপে। ১১ হেজাৰ কি ৯ হেজাৰ টকা default কৰিলে এই টকাৰে কোনো কাম হোৱা নাই। যোৱা ৩ বছৰেই কোনো কাম লোৱা নাই। এইবাৰ Direct Settlement অহাৰ কাৰণে নবেম্বৰ মাহতে Direct Settlement বিচাৰিছে আৰু কৈছে যে আমাৰ Chief Minister আহক, আহিলে আমাৰ Chief Ministerক দেখা কৰিব পৰা মানুহ আছে। মই নাম নকওঁ। তেখেতসকলৰ মানুহ আছে। আজি Schedule caste ৰ Society ৰ নামত অন্য Society য়ে বিল লৈ আছে। এই বিলাক বন্ধ কৰিব লাগে। এটা কাম কৰক ১০ হাজাৰৰ তলত হলেহে Society ক দিয়াৰ দিহা কৰিব লাগে। ১০ হাজাৰৰ ওপৰত হলে যি কোনো ব্ৰাহ্মণ নাইবা কৈবৰ্ত্ত যিয়ে পাৰে সেইটো লওক।

আজি Society ৰ ১০০ জন মেম্বাৰৰ ভিতৰত ৮০ জনেই Schedule caste ৰ বাকী ২০ বা ৩০/জনহে ব্ৰাহ্মণ বা কায়স্থ হব। তাৰ লগতে দুজন ব্ৰাহ্মণ বা ২জন আন জাতিৰেই হওক তাত আপত্তি নাই।

গতিকে মই এই গভৰ্ণমেণ্টক এইটো কথা কব খোজো যে মীন মহলৰ কাৰণে ধাৰ্য্য কৰা টকা বিলাক Electricity Board ৰ কাৰণে খটুৱাব দিহা কৰক। মই আৰু বেছি কথা কব নোখোজো। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

**Shri Tilak Gogoi** — মাননীয় অধ্যক্ষ মহোদয়, এই অনাস্থা প্ৰস্তাৱ সংক্ৰান্তিত যি বিলাক কথাৰ অৱতাৰণা কৰা হৈছে সেই সম্পৰ্কে মই দুই এটা কথা কব খুজিছো। এই অনাস্থা প্ৰস্তাৱত আমাৰ যি বিলাক মীনমহল আছে এই মীনমহল বিলাকত Direct Settlement পোনপটীয়া ভাৱে Settlement দিয়াৰ কাৰণেই এই কথাবিলাকৰ অৱতাৰণা কৰা হৈছে। মাননীয় সদস্য শ্ৰীচুনীলাল বৰুৱাই নগাঁৱৰ পৰা আৰম্ভ কৰি গোটেই অসমৰে এই সংক্ৰান্তিত এখন লিষ্ট তৈয়াৰ কৰিছে। বাকী অনান্য সদস্য সকলৰ পৰাও বহুত কথাই পোৱাই হৈছে যিবিলাক কথাৰ বেচি ভাগেই অনাস্থা প্ৰস্তাৱ অনা মিনিষ্টাৰৰ সম্পৰ্কীয়। এই সম্পৰ্কীয় মিনিষ্টাৰৰ জনৰ বিৰুদ্ধে যি বিলাক অভিযোগ তোলা হৈছে এই বিলাক প্ৰশ্ন অকল Direct Settlement দিয়াৰ কাৰণেই উত্থাপিত হৈছে। এইদৰে Direct Settlement দিয়াটো ভাল নে বেয়া সেই সম্পৰ্কে মই কব নিবিচাৰো। কাৰণ গবৰ্ণমেণ্টে Fishery বিলাক Go-operative Society কৰি Direct Settlement ইয়াৰ আগতেও দি আহিছে।

ডিব্ৰুগড় মহকুমাৰ ২।৩ জন মানুহক Direct Settlement দিয়া হৈছে আৰু শতকৰা ৮০।৭৫ ভাগ ২।১ পাৰ্টিকো দিয়া হৈছে। অকল ডিব্ৰুগড় Fisheryতে তেনে নহয়, মদৰ মহলৰ ক্ষেত্ৰত দুই এটা পাৰ্টিক দিয়া হৈছে যি সকলৰ নামতেই এই মদৰ মহলবোৰ চলি আছে। যি বিলাক মানুহ এই বিলাক ব্যৱসায়ত নামিছে তেওঁলোকৰ এই বিলাক ব্যৱসায়ত কিন্তু তিমান হাত নাই। ডিব্ৰুগড়তো এনে ধৰণৰ ব্যৱসায় ২।৩টা আছে। এনেকুৱা ব্যৱসায়ত হাত নথকা মানুহবোৰক যদি অপসাৰিত কৰা নহয় তেতিয়াহলে সি বিবেচনাৰ বাহিৰত যাব। যি বিলাক মানুহকেই এই

ব্যৱসায়ৰ বিলাকত নমাই দিলে তেওঁলোকেই সেই বিলাক ব্যৱসায় নাশ কৰিলে। গতিকে আমাৰ চৰকাৰে এইটো ব্যৱস্থা লোৱা দৰ্কাৰ যে যিবিলাক মানুহ এই বিলাক ব্যৱসায়ত উপযুক্ত তেওঁলোকেই এই বিলাক পোৱাৰ ব্যৱস্থা কৰি দিব লাগে ।

প্ৰকৃত Facility ৰ ব্যৱস্থা কৰি দিব লাগে। তেতিয়াহে Scheduled caste ৰ মানুহ বিলাক ৰক্ষা পৰিব । সেই কথাটো সেই সময়ত শ্ৰদ্ধেয় সিদ্ধি শৰ্ম্মা ডাঙৰীয়াই আৰম্ভ কৰিছিল । আমাৰ মানুহে মাত্ৰ দুই চাৰিশ মান টকাহে পায় । কিন্তু অধিক টকা মহাজনে লৈ যায় । সেই কাৰণে Direct Settlement উঠাই দিয়াটো ভাল হব বুলি নাভাবো । সদস্য গৰাকীয়ে নিজৰ Interestৰ মানুহে Settlement নোপোৱাৰ কাৰণে হয়তো Direct Settlement উঠাই দিবলৈ প্ৰস্তাৱ কৰিছে । যি বিলাক Fishery ৰ কথা উল্লেখ কৰিছে সেই বিলাক Indivisual meritৰ কথা । মই কেৱল Direct Settlement ৰক্ষাৰ পক্ষেহে সমৰ্থন জনাওঁ । তাকে কৰিলে Scheduled Caste ৰ মামলা মোকৰ্দ্দমালৈ যাব নালাগিব । Direct Settlement ৰ যি শতকৰা ১০-২০ টকা বঢ়োৱাৰ কথা আছে সেইটো ভাল নহব । চৰকাৰে কেৱল Revenue কথাটোকে বিচাৰ কৰিব নালাগে । অৱশ্যে এইটো কথা ঠিক যে চৰকাৰে যিমান দূৰ পাৰে ৰাজহৰ উন্নয়ণ কৰাটো ভাল কথা । কিন্তু Scheduled caste ৰ সম্পৰ্কে চৰকাৰৰ বিশেষ দায়িত্ব আছে Co-operative Society ৰ ক্ষেত্ৰত কিছুমান বেমেজালি নোহোৱা নহয় । এজন নগাৱঁৰ মানুহে গোলাঘাটৰ Fishery পোৱাটো কোনো অৰ্থ নাই । গতিকে যাতে থলুৱা মানুহক বিল বিলাক দিব পৰা যায় । সেইটো চাব লাগিব । এইবাৰ Fishery Settlement ৰ বহুতো আসোৱাঁহ দেখা গৈছে । আজি প্ৰায় এমাহ ডেৰমাহ হোটেলত থাক মানুহ বিলাকে টকা খৰচ কৰিবলগীয়া হৈছে । মই ভাবো এই মানুহবিলাকৰ এইদৰে ৰখাটো ভাল নহয় । দুলাল বৰুৱা ডাঙৰীয়াই যি কথাটো কৈছে সেইটো সমৰ্থন যোগ্য নহয় । তেখেতে কৈছে যে ককিলাৰ Tender দিয়া মানুহবিলাক Scheduled caste ৰ মানুহ নহয় ।

Shri Dulal Chandra Barua—অধ্যক্ষ মহোদয় তেখেতে যি কথা উল্লেখ কৰিছে মোৰ বোধেৰে তেখেতে ভিতৰ কাকলাৰ Co-operative

Society ৰ কথা কৈছে। কিন্তু Enquiry কমিটিৰ যি লিষ্ট আছে তাৰ পৰা বুজিব পৰা যায় যে এইখন কেতিয়াও প্ৰকৃত Co-operative Society হ'ব নোৱাৰে । মেলেঙত যিখন Co-operative Society আছে সেইখন এটা পৰিয়ালৰ লৰা ছোৱালী সকলোকে ধৰি ৰাতিটোৰ ভিতৰতে ৰেজিষ্টাৰ কৰালে । কিন্তু এইখন Society D.C. য়েও এই বিষয়ে Report দিছিল । সেই কাৰণে মই এইখন Co-operative Society ৰ কথা উল্লেখ কৰিছোঁ ।

Shri Tilak Gogoi : Direct Settlement ৰ ব্যৱস্থা ৰাখিবলৈ হলে মাছমৰিয়া মানুহ বিলাকে যাতে একচেতীয়া ভাৱে ব্যৱসায় কৰিব পাৰে সেইটোৰ ব্যৱস্থা চৰকাৰে কৰিব লাগিছিল। এই সকলো বিলাক কথা চিন্তা কৰি Direct Settlement ৰ ব্যৱস্থা ৰখাটো ভাল। কেৱল যাতে প্ৰকৃত মানুহে Fishery বিলাক পায় সেইটোলৈ বিশেষ লক্ষ ৰাখিব লাগে ।

Shamsul Huda :— মাননীয় অধ্যক্ষ মহোদয়, এই অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰি খুউব অলপ কথাতে মই শেষ কৰিম। আজি এই মন্ত্ৰী মহাশয়ৰ ওপৰত বহুতো অভিযোগ আহিছে। টকা পইচা খোৱাৰ কথাও আহিছে। কিন্তু টকা পইচা লোৱাৰ প্ৰমান কৰা টান। কাৰণ কোনেও সাক্ষী ৰাখি টকা নিদিয়ে আৰু নলয়। টকাৰ লগতে আনকিছুমান কথা আছে যিবিলাক প্ৰমান কৰাও টান। নাগৰ চাব্বল বুলি এজন মানুহে যোৱা মাঘ বিহুৰ সময়ত বিশটা ৰৌ মাছ লৈ চিলঙলৈ আহে। সেইটোও প্ৰমান কৰা টান। দৈটেকেলী আৰু চুঙা পিঠা অনাটো প্ৰমান কৰা টান। আৰু সেই বিলাক বস্তু আনোতে গুৱাহাটীৰ ডিৰেক্টৰৰ তাত ৰৈ যোৱা কথাটো প্ৰমান কৰা টান। কিন্তু পৰিবেশ যিটো সৃষ্টি হৈছে তাৰ পৰা দুৰ্নীতি যে চলিছে সেইটো স্বীকাৰ কৰিব লাগিব। আৰু দুৰ্নীতি বিলাক যে বেছিকৈ শিপাইছে তাৰো প্ৰমাণ কৰা টান। বিল পটন দিয়াৰ ক্ষেত্ৰত প্ৰতিযোগীতা আহিছে সেইটো নুই কৰিব নোৱাৰি। যাৰ টকাৰ জোৰ বেছি তেওঁ প্ৰতিযোগীতাত কৃতকাৰ্য্য হৈছে। কিছুমান ক্ষেত্ৰত টকাৰ জোৰ বেছি আৰু কিছুমান ক্ষেত্ৰত ৰৌ মাছৰ মূৰটোৰ বেছি জোৰ থাকে।

Direct Settlement দিয়াৰ কাৰণেই সেই বিলাক বেমেজালি ঘটিসে। সমবায়ৰ যোগেদি Settlement হব এইটো অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু পোনপটীয়া Settlement দিব বুলিলেই মানুহ পগলা হৈ যায়।

এই ক্ষেত্ৰত যি বিলাক Co-operativeক Direct Settlement দিয়া হয় তাৰ কাৰনে টকা আছেনে নাই Pass Book চাব লাগিব। এইটো অৰ্থাৎ Pass Book বিলাক নোচোৱাকৈ Direct Settlement দিয়াটো দূৰ্নীতি মূলক কথা। ইয়াৰ মূলতে এটা অসৎ উদ্দেশ্য আছে। Co-operativeৰ জৰিয়তে যদি কৈৱৰ্ত্ত লোক সকল উন্নতি সাধন কৰালৈ লক্ষ্য কৰিলেহেতেন আৰু Pass Book বিলাক চাই যদি তাত টকা পইছা নাথাকে, তেন্তে অৰ্থসাহাষ্য দি সহায় কৰিব পা ৰিলেহেঁতেন। কিন্তু তাকে নকৰি কিছুমান টকা পইছা থকা ধনী মানুহক লৈ হোৱাই নোহোৱাই কিছুমান সমবায় গঠন কৰাত Ministerএ সহায় কৰিছে আৰু এই কথাবিলাক মন্ত্ৰীমহোদয়ে জানে। এই Bogus সমবায় বিলাকৰ ভিতৰত দেখা যায়, সৰহ ভাগতেই অনাকৈবৰ্ত্ত লোকহে আছে। এই বিলাক মানুহে দাস উপাধি লিখে। কিন্তু প্ৰকৃততে তেওঁলোক অনা কৈবৰ্ত্ত মানুহহে।

এই বিলাক বেমেজালিৰ কাৰনে বিভাগ জগৰীয়া আৰু চৰকাৰ জগৰীয়া। এই বিভাগৰ মূৰবী সকলে প্ৰত্যক্ষাভাবে নহলেও পৰোক্ষ ভাবে এইবিলাক গাত পাতিলৈছে আৰু বিধি বিধানৰ বিৰুদ্ধে এই বিল বিলাক পট্টন দিয়া হৈছে। এই বিলাক বৰ দূৰ্নীতি মুলক কাম হৈছে। নগাওঁ জিলাত তেখেতে কিছুমান প্ৰমান কৰিব নোৱাৰা দূৰ্নীতি কৰিছে। তেখেতৰ ভতিজাক "হাজৰীকা Auditত কাম কৰিছিল। তেওঁৰ খুৰাক Fishery Minister হোৱাত তেওঁ চাকৰি এৰি দিয়ে আৰু নগাওঁৰ সকলোবিলাক বিল বেইমানী ভাবে চলাই আছে। এই কথা প্ৰমান কৰা টান। এই বিলাক ভয়ঙ্কৰ দূৰ্নীতি মূলক কথা যৰ পৰা মন্ত্ৰীহিচাবে হাত সাৰি থাকিব লাগিছিল; কিন্তু তেখেত এই দূৰ্নীতিত লিপ্ত। তাৰ পাছত মৰিকলং বিলৰ Lessee যোৱা ২৮ বছৰ ধৰি এই বিল পাই আছে; কিন্তু তেওঁৰ ২৮ হেজাৰ টকা Defaulter হৈছে আৰু 'বিল' পায়েই আছে; কাৰণ তেওঁৰ পিচত আছে মন্ত্ৰীমহোদয়ৰ ভতিজাক।

আৰু এটা ৰহস্যৰ কথা। কুটু কলং বিলটো Direct Settlement নিদি চৰকাৰে কৈছে যে বিভাগে ইয়াত কাম চলাব। এই সম্পৰ্কত Tender বিছৰা হয় ৫০।৫০ ভিত্তিহিচাবে আৰু এজনে Tender দিলে তেওঁৰ ৬০ ভাগ আৰু চৰকাৰৰ ৪০ ভাগ আৰু আন এজনে দিলে তেওঁৰ ৭০ ভাগ আৰু চৰকাৰৰ ৩০ ভাগ। কিন্তু Supdt.এ ৬০।৪০ দিয়া মানুহ জনক দিলে, কাৰণ সেই মানুহ জনে বিভিন্ন উৎসবৰ সময়ত তেখেতৰ ঘৰলৈ গৈ গাখীৰ পিঠা কল আদিৰ যোগান ধৰে।

অধ্যক্ষ মহোদয়, আৰু এটা কথা এই প্ৰসঙ্গত কৰাব লাগিব যে, তেখেতে মাছৰ ব্যৱসায়ৰ সকলো বিলাক জানে আৰু সেইমতেই কৰি আহিছে। কিন্তু বিলৰ নামত মাটি লৈ তাত বড়ো খেতি কৰিছে আৰু সেইদৰে Fisheryৰ নামত মাটি লোৱাৰ কাৰণে বহুতো খেতিয়কৰ মাটি গৈছে আৰু আন হাতে বিলৰ মহলদাৰৰ নামত এক ধৰণৰ জমিদাৰী সৃষ্টি হৈছে। 'চাৰন' বিলৰ মহলদাৰে বছৰি ২॥ হেজাৰ মোন ধান পায় আৰু এই কথা তেখেতে জানে আৰু এই টোও জানে যে এই মাটি খেতিয়ক সকলৰ পৰা বঞ্চিত কৰি অনা আৰু তাত বড়ো খেতি কৰা। এইদৰেই হাজাৰ হাজাৰ মোন ধান উৎপাদন কৰি ব্যৱসায় কৰি এটা জমিদাৰী চলাইছে। কলিয়াবৰটো এইদৰেই Fishery বিভাগৰ নামত মাটি লৈ জমিদাৰী চলোৱা হৈছে। আৰু যে ক'ত কিমান আছে ঠিকনা নাই। (Fld by "Z") গতিকে আজি মিনমহল বিভাগে মাছৰ উৎপাদনৰ নামত এই কৈৱৰ্ত্ত সম্প্ৰদায়টোৰ উন্নয়নৰ নামত এই সৰ্ব্বনাশ হে কৰিছে। সেই কাৰনেই কওঁ যে মন্ত্ৰীমহোদয়ে আজি নিজকে ধিককাৰ দিয়া উচিত। কাৰন এই কৈৱৰ্ত্ত সপ্ৰদায়ৰ প্ৰতিনিধি হিচাবেই মন্ত্ৰী মহোদয় আহিছে। আৰু মীন মহলটো যাৰ কৰ্ত্তৃত্বাধীনত আছে সেইজন মন্ত্ৰীয়ে নিজৰ মানুহক শোষন কৰিছে আৰু কৈৱৰ্ত্ত সম্প্ৰদায়ৰ লোকক বঞ্চিত কৰি যি বিলাক টকা পইচা থকা ক্ষমতা শালী লোক তেওঁলোকক পোষন কৰিছে। তাৰ ফলত এই কৈৱৰ্ত্ত সম্প্ৰদায়টো অভিশপ্ত হৈ পৰিছে। ইয়াকে কৈ মই প্ৰস্তাবটো সমনৰ্থ কৰিলো।

**Shri Atul Chandra Goswami**— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী সভাৰ এজন মন্ত্ৰীৰ ওপৰত অনাস্থা প্ৰস্তাৱ আনিছে। তাক মই কিয় সমৰ্থন কৰিবলৈ ওলাইছো সেইটো নকলে ভুল হব। এই মন্ত্ৰী সভাৰ ভিতৰৰে খাদী, গাম উদ্যোগ আৰু মীন বিভাগৰ মন্ত্ৰী জন সম্পূৰ্ণ গান্ধী বাদী। অনান্য মন্ত্ৰী বা সদস্য সকলত কৈ তেখেতক নৈতিকতা ১ এক ইঞ্চি ওপৰত বুলি ভাবো। কিন্তু এই বিভাগটোও বিলৰ পচা মাছৰ দৰে। উৎকুত দুৰ্গন্ধ ওলাইছে। সেই কাৰণেই মই অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ বাধ্য হলো।

মীন বিভাগৰ উদ্দেশ্য হৈছে অসমৰ খাল, দুং আদি ডাকত দি মাছ শিল্পৰ উন্নয়ন কৰা। ইয়াকে কৰা হলে মোৰ একো কবলগীয়া নাথাকিল হেতেন। অকল এইটো ডাকত দিয়াই নহয়; মীন শিল্পৰ সমৃদ্ধিৰ কাৰণে মন্ত্ৰী বা বিভাগ কৰো একো দায়িত্ব নাই নেকি ? কিন্তু আজি কি দেখিবলৈ পাইছো যি সময়ত মাছে পোনা মেলে সেই সময়ত মহলদাৰ বিলাকে মল-মল কাপোৰ আৰু আঠুৱা ব্যৱহাৰ কৰি এই পোনা বোৰ ধৰি নষ্ট কৰে। সেই বিষয়ত এই বিভাগ বা মন্ত্ৰী নিৰ্বিকাৰ কিয় ?

অলপ আগতে মাননীয় সদস্য শ্ৰী মহীধৰ পেগু ডাঙৰীয়াই কৈ গৈছে ইংৰাজৰ দিনৰ D.C. আৰু আজিৰ কংগ্ৰেছ চৰকাৰৰ D.C. ৰ মাজত যথেষ্ঠ পাৰ্থক্য আছে। ইংৰাজৰ দিনত D.C. এ যি বিলাক বিল মিৰি জনজাতীয় লোকে মাছ খাবৰ কাৰণে ডাকত দিয়া নাছিল আজিৰ কংগ্ৰেছ চৰকাৰী D.C. এ সেই বিলাক বিল ডাকত দি দিছে। মোৰ সমষ্টিতে গতঙা নামৰ এখন বিল ৰেভিনিউ বঢ়াবৰ কাৰণে ডাকত দিছে। আৰু তাৰ কাৰণে এজন মানুহৰ ঘৰত বহি এটা কমিটি কৰি ৩২ হাজাৰ টকাত ডাকত দিছে। তাৰে ৩২ হাজাৰ টকা কমিটিৰ সদস্য কেইজন মানে পালে আৰু ইয়াৰ ফলত কেইজন মান বস-জীপ নথকা মানুহো টনকীয়াল হল। এই কথা মন্ত্ৰী মহোদয়ক বাৰে বাৰে জনোৱা স্বত্বেও তাৰ কোনো ব্যৱস্থা নকৰিলে এই ডাক কমাই ৰাখি কাজিৰঙাৰৰ ওচৰৰ কেইজন মান মানুহৰ অবস্থা সুন্দৰ কৰিছে।

আৰু, অলপ আগতে শ্ৰী চামচুল হুদা চাহাবে কৈ গৈছে যে এই চৰকাৰে একশ্ৰেণীৰ নতুন মজতুৰৰ সৃষ্টি কৰিছে। মোৰ সমষ্টিতে কিছুমান ডাঙৰ ডাঙৰ বিল আছে তাত মই দেখিছো কিছুমান মানুহে তাৰ পানী উলিয়াই দি তাত ধান খেতি মৰা পাটৰ খেতি কৰি মহাজন হৈছে। আৰু কিছুমান মানুহে আধিয়াৰৰ দৰে খেতি কৰিও অৱস্থাপন্ন হৈ পৰিছে। কিন্তু মোৰ মতে এই অৱস্থাটো সমৰ্থন যোগ্য হব নোৱাৰে।

Shri Mahendra Nath Hazarika : বিলখনৰ নাম কি ?

Shri Atul Chandra Goswami : শিৱথানৰ ওচৰত পোতাকলঙত এইটো চলিছে।

তাৰ পাচত যি বিলাক প্ৰখ্যাত বিল, ব্ৰহ্মপুত্ৰৰ পানী সোমোৱাৰ ফলত মাছ বেছি উৎপাদন হয়, সেই বিলাক আজি পানী মেতেকায় ধাকি ৰাখিছে। এইবিলাক চাফা কৰি মীন শিল্পৰ উন্নয়ণ এই বিভাগে কৰিব পৰা নাই। Audit Report চালে দেখা পাব তেজপুৰৰ হজৰা পুখুৰীত মাছৰ ব্যৱসায়ৰ কাৰণে ৩ লাখ ৮৮ হাজাৰ টকা খৰচ কৰিছে কিন্তু এই বিলাকত টকা খৰচ হোৱাৰ বাহিৰে জনসাধাৰণৰ একো লাভ হোৱা নাই।

খাদী গ্ৰাম উদ্যোগ বিভাগৰ দ্বাৰা লগোৱা এখন চাইনবোৰ্ড শিলঘাট কুৱৰীতল ৰাষ্টাৰ কাষত দেখিবলৈ পাব। তাত লিখা আছে "গুৰ উন্নয়ণ কেন্দ্ৰ" কিন্তু তাত গুৰ উন্নয়ণৰ কাৰণে একো ব্যৱস্থা নাই মাত্ৰ কেইখনমান কেৰাহী তাত পৰি আছে আৰু তাৰ কৰ্ম্মচাৰী কেইজনে "তিনি পাতি" খেলি আছে। আগতকৈ নৈতিকতা এক ইঞ্চি ওপৰত থকা গান্ধীবাদী মন্ত্ৰী গৰাকীয়ে এই 'তিনি পাতি' লৈ 'জোৱা' খেলা কৰ্ম্মচাৰী সকলৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে।

আৰু শুনিবলৈ পোৱা গৈছে গুৱাহাটী খাদী বোৰ্ডত কাম কৰা এজনী ছোৱালীয়ে বোৰ্ডৰ কাপোৰ চোৰ কৰিলে। আৰু চোৰ ধৰাও পৰিল। কিন্তু এই মন্ত্ৰীৰ কাৰণেই সেই চুৰুনী ছোৱালী জনীৰ ওপৰত একো ব্যৱস্থা লব পৰা নাই। এই গান্ধী বাদি মন্ত্ৰী জনে এজনী চুৰুনী ছোৱালীক চত্ৰচায়া দি ৰাখি থোৱাৰ কি মানে থাকিব পাৰে।

**Shri Upendra Nath Sanatan**— অধ্যক্ষ মহোদয় মই এই Fishery সম্পৰ্কত আলোচনা হোৱা বিষয়ত দুই আষাৰ কব খুজিছোঁ । আজি যিটো Co-operativeক Direct Settlement দিয়া হৈছে সেইটো মোৰ বোধেৰে বেয়া হোৱা নাই । কিয়নো আগতে Tender হৈছিল Sale হৈছিল, তেতিয়া মহলৰ পইচা বিলাক Case কৰি মালিক বিলাকে লৈ গৈছিল আৰু দুখীয়া মানুহৰ হাতত নাথাকিছিল । কিন্তু Co-operative ক Direct Settlement দিয়া নিয়মৰ কাৰণে দুখীয়া মানুহ বিলাক কিছু উপকৃত হৈছে । Scheduled caste ৰ মানুহ শতকৰা ৮০ জনে আৰু বাকী সম্প্ৰদায়ৰ মানুহৰ মাজত D.C বা S.D.C. এ Direct Settlement দিয়ে । অকল নগাওঁতেই নহয় । ডিব্ৰুগড়তো মাছ খোৱা মানুহ আছে ডিব্ৰুগড়ত দিয়াটো বৰ ভাল হৈছে । সেই কাৰণে Direct Settlement হব লাগে আৰু আগতে থকা System টো উঠাই দিয়া কাৰণে ভাল পাইছোঁ । এই কাৰণেই মই ভাল পাইছোঁ যে আজি আমাৰ বহুত Scheduled caste ৰ মানুহৰ কোনো উপাৰ্জ্জন নাই । বহুতৰ মাটি বাৰী নাই সেই মানুহ বিলাকে এই ব্যৱস্থাৰ দ্বাৰা কোনোমতে বৈ থাকিবলৈ সমল পাব । কিন্তু কিছুমান বন্ধুৱে মিনিষ্টাৰৰ দোষ আনিছে । কিন্তু এজন মহলদাৰে মহলৰ cash নিদিলে Defaulter হ'বই তাৰ কাৰণে কিছুমান মানুহে হাল্লা কৰাতো স্বাভাৱিক । আজি টকা পইচাৰ লেনা-দেনা হৈছে বুলি মন্ত্ৰীমহোদয়ৰ ওপৰত অনাস্থা প্ৰস্তাৱ আনিছে । কিন্তু মই কওঁ কোনো প্ৰমাণ নোহোৱা কথাৰ কোনো value নাই । যদি কিবা কাগজে পত্ৰে প্ৰমাণ থাকিলহেতেন তেতিয়া হলেহে হয়তো কিবা হলহেতেণ কিন্তু কোনো প্ৰমাণ আদি নোহোৱাকৈ কোনো অনাস্থা প্ৰস্তাৱ নুঠে । ইয়াত কোনো ভেটিয়েই নাই । প্ৰমাণ নোহোৱা কথা বহুতেই কব পাৰে কিন্তু সত্যতা কিমান খিনি সেইটোহে চাব লাগিব । কিন্তু প্ৰমাণ নহলে সত্যতাই বা ক'ত ?

আজি আমাৰ দেশৰ পিচ পৰা সম্প্ৰদায়ৰ উন্নতি হব লাগে । এই বিষয়ত ময়ো তেখেত সকলৰ লগত একমত । কিন্তু আমাৰ বন্ধু সকলে খাতাংকৈ কব পৰা নাই যে অমুক মন্ত্ৰীজনাই অমুকটো কৰিছে । টকাৰ

লেনা দেনা হোৱা বুলি কৈছে কিন্তু প্ৰমান নাই। সেই কাৰণে মই বন্ধুসকলক অনুৰোধ কৰিছো যাতে সেই প্ৰমানহীন কথা লৈ হুলস্থুল নকৰি এটা Policy কৰি দুখীয়া মানুহ বিলাকৰ সুবিধাহে কৰি দিব লাগে।

**Shri Atul Chandra Goswami**— আপুনি বাগিচাৰ মালিকৰহে গুনানুকীৰ্ত্তন কৰে।

**Shri Upendra Nath Sanatan**— এইটো মাছৰ কথা। ইয়াত বাগিচাৰ মালিকৰ কথা নাহে। আমাৰ এই খিনিতে ভুল কৰবাত ধৰিব লাগিলে কৰবাত ধৰে।

**Shri Atul Chandra Goswami**— আপুনি অনাস্থা প্ৰস্তাৱটো পঢ়িচাব লাগিছিল।

**Shri Upendra Nath Sanatan**— মূল নীতিটো ঠিক হব লাগে।

**Shri Atul Chandra Goswami**— অনাস্থা প্ৰস্তাৱটো পঢ়ি নাহি অজ্ঞতাৰ পৰিচয় দিয়াৰ কাৰণে আপোনাৰ প্ৰতি পুতৌ উপজিছে।

**Shri Upendra Nath Sanatan**— মই কৈছো যে যিটো Direct Settlement হৈছে তাৰ দ্বাৰা দুখীয়া মানুহে সুবিধা পাইছে আৰু চৰকাৰৰ আইনটো ভাল হৈছে। কিন্তু মন্ত্ৰীক দোষী কৰা নাযায়।

**Sari Dulal Chandra Barua**— তেখেতক আহি মন্ত্ৰীৰ জাগাত বহিবলৈ কব লাগে।

**Shri Upendra Nath Sanatan**— সেইফালৰ পৰা কৈছে যে গাদী এৰি দিব লাগে সেই কাৰণে মই কৈছো যে আহিলে কোনো মানুহ এই ফাললৈ আহিব পাৰে কিন্তু এই ফালৰ মানুহ সেই ফালে নাযায় মিছাকৈ চিঞৰ বাখৰ কৰি থাকিলে নহব আৰু আপোনালোকেও যে সকলো কথা ঠিক কৈছে সেইটো নহয়।

**Shri Giasuddin Ahmed**— Mr. Speaker, Sir. Here is a point of order.

**Mr. Speaker**—What is your point of order ?

**Shri Giasuddin Ahmed**— My point of order is this. No hon. Member is allowed under the Rules to address the other Members directly. The hon Member is addresing us be stopped.

**Shri Upendra Nath Sanatan**— মই সেইবোৰ অলংকাৰ নাজানো সেইফালৰ পৰাই অলংকাৰ শাস্ত্ৰৰ কথা আহিছে। বিভাগীয় কানুনৰ ওপৰত ভিত্তি কৰিহে। Settlement দিয়া হয় বুলি তেখেতসকলে নাজানে নেকি ? কোন ঘনশ্যাম দাসক মহল দিলে কিন্তু D.C এ Enquiry কৰা নাই। চিধা দৰখাস্ত দিলে আৰু Direct Settlement দি দিলে এইটো সত্য নহয়। ৰিপোৰ্টৰ Favour ত থকা কাৰণেহে Direct Settlement দিয়া হৈছে। সেইকাৰণে মই কৈছো যে অনাস্থা প্ৰস্তাৱ আনাৰ কোনো স্থল নাই, গতিকে এই প্ৰস্তাৱটো উঠাই লব লাগে। কাৰণ ইয়াত কোনো প্ৰমাণ দিব নোৱাৰে।

**Shri Dulal Chandra Barua**— যিটো আমাৰ সদস্য সকলে বা মই কৈছো সেইটো নুবুজি যি কোনো কথা কোৱা ঠিক নহয়। আমি Document দি সকলো প্ৰমান কৰিছো। যিখিনি দৰকাৰী প্ৰমান সেই খিনি আমি Document দি প্ৰমান কৰিছো। গতিকে তেখেতে অনাস্থা প্ৰস্তাৱটো নুবুজাকৈ যি কোনো কথা কোৱা উচিত নহয়।

**Shri Sadhan Ranjan Sarker** :-

মাননীয় অধ্যক্ষ মহোদয়, অনাস্থা প্রস্তাবটির বিরোধিতা করে দুই একটি কথা বলবো। আজ একটা কথা মনে পড়েছে, যখন Co-operative Movement আসামে আরম্ভ হয়, তখন Apex Marketing Co-operative Societies কে Monopoly করিয়ে দেওয়া হয়। ঠিক সেই সময় ধনীক শ্রেণীর ব্যাপারীয়া এই ব্যবস্থাকে বানচাল করবায় জন্য এই Co-operative কে দূর্নীতি গ্রস্থ করে। যখন এই ব্যবস্থাকে নষ্ট করবায় জন্য চেষ্টা করা হয়েছিল, ঠিক Direct Settlement পদ্ধতি গ্রহণ যখন করা হয়েছে

তখন সরকার Scheduled Caste এর Protection দেওয়ার জন্য সেটা করেছিলেন সত্যি কথা। Direct Scttlement এর সময় যখন দিনে ৪/৫ টা Genuine Case হাতে আসে তখন সরকার একটির বেসী হাতে আনতে সম্ভব হয় না। মহাশয়, April মাসে বা মে, জুন মাসে জল যেমন ঘোলা হয়, তার চেয়ে শিলং এর আবহাওয়া আরও ঘোলাটে মনে হয়। এবং এই ঘোলার মধ্যে কোন পক্ষই বাদ নাই। প্রত্যেক স্বার্থ সংশ্লিষ্ট তার মধ্যে থাকেন। অবশ্য এই মৎস্য কারবার সম্বন্ধে আমার বিশেষ কোন Idea নাই। তবে Scheme সম্বন্ধে Opposition এর সদস্য শ্রীমতিলাল নায়ক মহাশয় সাত্যিই বলেছেন যে, Scheme টি সন্দেহ জনক ভাবে তৈরী করা হয়েছে। এতে সন্দেহের উদ্রেক হতে পারে। কিন্তু এতে ব্যক্তিগত ভাবে Scheduled Caste এর লোকের মধ্যে সীমাবদ্ধ না করে তার চেয়ে যাতে সবাই এই বিভাগকে উপকৃত করতে পারে তার ব্যবস্থা করতে হবে। তাছাড়া এই দুর্নীতির ব্যাপারে কি করে মন্ত্রীকে দায়ী করা যায়। কোন concrete প্রমান ছাড়া, কোন লোকের মামুলি অভিব্যক্তির উপরে ভিত্তি করে কিমন্ত্রীকে দূর্নীতির অপরাধে অপাধীর করা যায়? এই সব ভিত্তিহীন অভিযোগ আনা ঠিক নয়। ধরুন, Nowgong থেকে কোন লোক এসে মন্ত্রীর সাথে দেখাকরলো একব্যপারে আর বাইরে গিয়ে হাঁক ছাড়লো যে হয়ে গেছে, মন্ত্রীকে ঘোচ দিয়ে সব রাজী করিয়ে নিয়েছি। তার জন্য কি মন্ত্রী দায়ী হতে পারে? হয়তো আসলে মাছের কথা বলতে গিয়ে স্কুলের কথা বলে এসেছে। তাই, বলি এই Direct Scttlement পদ্ধতিকে কি করে রক্ষা করে নিতে হয় সেটা সম্বন্ধে Constructive একটা Dicision নিতে হবে। তাই, যেন, আসামের সকল সম্প্রদায়ের লোক এক যোগে মিলে এই মৎস্য ব্যবসাকে অদূর ভাবিষ্যতে শুধু মাত্র ব্যবসা রূপে না রেখে একটা শিল্পের দিকে আস্তে আস্তে এগিয়ে নীতে হবে। এবং এইকরে করে এটাকে শুধুমাত্র Scheduled Caste এর মধ্যে সীমাবদ্ধ নারেখে, একটা শিল্প হিসাবে গড়ে তুলতে হবে। যাই হোক, অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্রীকে সব দায়িত্ব হাতে নিতে হলে যে সাথে সাথে কলঙ্কের বোঝাও বইতে হবে এটা তো নীতির

কথা নয়। উড়ো খবরের ভিত্তি করে যদি অশালীন কথা শুনতে হয় মন্ত্রীকে, যদি তার পরিবার পরিজনকে এখানে টেনে নিয়ে আসা হয় তবে এটা তো বড় দুর্ভাগ্যের কথা। তাছাড়া, সাক্ষী বিহীন, প্রমান বিহীন অভিযোগ করে মন্ত্রীকে অপদস্থ করার তো কোন যৌক্তিকতা থাকতে পারেনা, এই হিসাবে বলি, It is a Sort of Character assasination, গতিকে লোক নাই, সাক্ষী নাই প্রমান নাই যে অভিযোগ সেই মূল্যহীন অভিযোগ তুলে নেওয়া উচিত।

Shri Mahendra Nath Hazarika :—

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীতুলাল বৰুৱা ডাঙৰীয়াই যি অনাস্থা প্ৰস্তাৱ আনিছিল সেই সমন্ধে, মীন বিভাগত আমাৰ চৰকাৰৰ তৰফৰ পৰা যিটো নীতি সেই সমন্ধে মই বাখ্যা কৰি কব খুজিছো।

অধ্যক্ষ মহোদয়, আদিতে চৰকাৰী ৰেজিষ্টাৰ ভুক্ত মীন মহল সমূহ খোলাডাকত বা টেণ্ডাৰত বন্দোবস্তি দিয়া হৈছিল। লগতে চৰকাৰে “ফিচাৰী ৰুলৰ,’ ১২ নম্বৰ অনুচ্ছেদ অনুসাৰে পোনপতিয়া ভাৱে ও বন্দোবস্তিত দিছিল। এই পোনপতিয়া বন্দোবস্তি সমবায় সমিতি আৰু ব্যক্তিগত লোককো দিয়া হৈছিল। যিবিলাক সমবায় আছিল সেইবিলাকৰ প্ৰায় বোৰতেই সকলো সম্প্ৰদায়ৰ অন্তৰভুক্ত আৰু কম সংখ্যক সভ্যৰে গঠিত।

আনহাতে খোলা ডাক আৰু টেণ্ডাৰত ৰাজ্যৰ বাহিৰৰ আৰু ভিতৰৰ ধনী মহাজন সকলৰ লগত প্ৰতিযোগীতাত আৰ্থিক দৈন্যতা গ্ৰস্থ প্ৰকৃত তুখীয়া মাছমৰীয়া অনুসূচীত লোক সকলে মীন মহল সমূহ পট্টন পোৱাৰ পৰা বাঞ্চত হৈছে। এই ধনী মহাজন সকলে তুখীয়া অনুসূচীত লোকসকলক মীন মহল লোৱাৰ সময়ত সিখণ্ডি হিচাবে ব্যৱহাৰ কৰি চৰকাৰৰ ৰাজহো লোকচান কৰাইছে। আনহাতে এই ধনী ধনী মহাজন সকলে বাহিৰৰ মাছমৰীয়া লোকসকলক মীনমহল সমূহত কৰ্ম্মসংস্থান দিয়াৰ ফলত, এই ৰাজ্যৰ খিলঞ্জীয়া ভূমিহীন পুৰুষানুক্ৰম মাছৰব্যৱসায় কৰা লোকসকল বেকাৰ

অৱস্থাত পৰি আৰ্থিক দৈনতাত জীৱন নিৰ্ব্বাহ কৰি ৰাজ্যৰ ভাৰাক্ৰান্ত হৈছে। সেই গতিকে এই দুখীয়া ভূমীহীন মাছমৰীয়া অনুসূঁচীত লোকসকল কৰ্ম্মসংস্থানৰ দ্বাৰা আৰ্থিক অৱস্থা টনাকিয়াল কৰিবৰ অৰ্থে বিশেষ সুবিধা দিবৰ বাবে মন্ত্ৰীসভাৰ যোৱা ১।২।৬৮ তাৰিখৰ বৈথকত তলত উল্লেখকৰা সিদ্ধান্ত কৰে।

"ফিচাৰী কলৰ" ১২ নম্বৰ অনুচ্ছেদ অনুসাৰে পোনপতিয়া বন্দোৱস্ত পাবলৈ হলে — (১) শতকৰা ৮০/ভাগ প্ৰকৃত মাছমৰীয়া অনুসূঁচীত সম্প্ৰদায়ৰ লোকেৰে গঠিত সমবায় সমিটি য'ত অন্ততঃ ৫০ জন সভ্য থাকে, এনে সমবায় পূৰ্ব্বৰ মূল্যৰ ওপৰও শতকৰা ২০./' ভাগ বৃদ্ধি মূল্যত বিল পট্টন লবলৈ মান্তি হয়। তেনে সমবায়ক বন্দবস্তি দিব পৰা হব।

(২) এনে সমবায়ে তেওঁলোকৰ আশে পাশে থকা প্ৰকৃত মাছমৰিয়া লোক সমূহক তেওঁলোকে বন্দৱস্তি পোৱা বিলত মাছমৰা কামত নিয়োগ কৰিব লাগিব। এই স্বৰ্ত্তটো পট্টাত সন্নিবিস্ত কৰিব লাগিব।

(৩) কোনো ব্যক্তিগত লোকক পোনপতিয়া বন্দোবস্তি দিব নোৱাৰিব। কিন্তু যিবিলাক বিল টেণ্ডাৰত দিয়া স্বতেও ডাকত নাযায় আৰু এই বিলবোৰৰ উন্নতিসাধন আৰু মাছপোহাৰ ক্ষেত্ৰত যদি কোনো ব্যাক্তগত লোকে আঁচনিসহ চৰকাৰৰ ওচৰত নিবেদন কৰে তেন্তে তেনে লোকক পোনপতিয়া বন্দবস্তি দিব পৰা হব। কিন্তু তেওঁলোকে এই বিষয়ে চৰকাৰক প্ৰতিশ্ৰুতি দিব লাগিব। মন্ত্ৰীসভাৰ ওপৰত উল্লেখ কৰা সিদ্ধান্ত মতে উপাযুক্ত আৰু মহকুমা অধিপতি সকলৰ আৰু সমবায় বিভাগৰ বিষয়া সকলৰ ৰিপোৰ্ট আদি পৰীক্ষা কৰি কিছুমান মীনমহল পোন পতিয়া ভাৱে বন্দবস্তিত দিয়া হয়।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী দুলাল বৰুৱাই "ককিলা" বিলৰ সমন্ধে যি অনাস্থা প্ৰস্তাৱ আনিব লগা হৈছে সেই বিষয়ে মই উল্লেখ কৰিব খুজিছো। এই বছৰ শিৱসাগৰ জিলাৰ যোৰহাট মহকুমাৰ 'ককিলা' নামৰ মীন মহল খনি পোনপতীয়া বন্দবস্তি দিয়াত ভয়ানক অসুবিধাত পৰিব লগীয়া হয়। এই বিলখন পোনপতীয়া বন্দবস্ত পাবৰ কাৰণে ২ খন সমবায়ৰ দৰ্খাস্ত পোৱা হয়। এই ২ খনৰ ভিতৰত এখনৰ নাম হল "নতুন মেলেং মীন শিল্প সমবায় সমিতি" আৰু আন খনৰ নাম "ভিতৰ ককিলা মাছ পোহা

আৰু মৎস্য ব্যৱসায় সমিতি।" নতুন মেলেং মীন শিল্প সমবায় সমিতিৰ সম্পাদক শ্ৰী মেম্বৰ দাসে এই মীন মহলৰ মহলদাৰ হিচাবে চৰকাৰৰ কিছু টকা যোৱা ১৫।১১।৬৮ তাৰিখত কিস্তিৰ বাবদ দিবলগীয়া আছিল সেই কাৰণে যোৱা ৭।১।৬৯ তাৰিখে এই বিল চানি ডাকত দিয়ে। মহলদাৰে এই ডাকৰ বিৰুদ্ধে Revenue Board ত আপিল কৰাত, বৰ্ডে এই চানি ডাক স্থগীত ৰাখে। মহলদাৰ শ্ৰী মেম্বৰ দাসে তপশীল সম্প্ৰদায়ৰ লোক হিচাবে নিয়ম মতে শতকৰা $7\frac{1}{2}$ ভাগ চৰকাৰে ৰেহাই দিব লাগে। এই মতে উপায়ুক্তই চৰকাৰলৈ প্ৰস্তাৱ পঠায়। যোৱা ১১।৩।৬৯ তাৰিখে উপায়ুক্তই পঠোৱা টেলিগ্ৰাম মতে দেখা গল, শ্ৰীমেম্বৰ দাসে তেওঁৰ কিস্তিৰ বাবদ দিবলগীয়া টকা পৰিশোধ কৰিবলৈ যায়। কিন্তু উপায়ুক্তই এই টকা গ্ৰহণ নকৰিলে। কাৰণ এই বিষয়টো Revenue বৰ্ডতবিচৰাধীন হৈ আছে। গতিকে মেম্বৰ দাসক দেনাদাৰ বুলি ধৰিব নোৱাৰি।

চৰকাৰে উভয় সমবায়ৰ বিৰুদ্ধে বহুতো অভিযোগ লোৱা হয়। বেছি ভাগ অভিযোগেই পৰস্পৰ বিৰোধী। উদাহৰণ স্বৰূপে যেনে:— সংযুক্ত সদাচাৰ কমিটিৰ যোৰহাট শাখাই যোৱা ২৪।১।৬৯ তাৰিখে শিৱসাগৰ জিলাৰ উপায়ুক্তক জনায় যে "নতুন মেলেং মীন শিল্প সমবায়ৰ সম্পাদকে বেআইনিভাৱে কিছুমান ভুৱা মানুহৰ নাম এনেয়ে দেখুৱাই সমবায় গঠন কৰিছে। কিন্তু এই সদাচাৰ কমিটিয়ে ১০।২।৬৯ তাৰিখে পূৰ্ব্ব পঠোৱা সংবাদ প্ৰতিবাদ কৰি মীন বিভাগৰ মন্ত্ৰী আৰু মুখ্য মন্ত্ৰীলৈ লিখিত ভাৱে জনায় যে, নতুন মেলেং মীন শিল্প সমবায়ৰ নামৰ বিৰুদ্ধে আগেয়ে দিয়া ৰিপোৰ্ট ঠিক নহয় এই সমবায় নিয়মিত ভাৱে গঠিত হোৱা সমবায় হয়। এই বিষয়ে সন্দেহ কৰিব লগীয়া একো নাই। এই সমবায়ৰ কামত সন্তোষ প্ৰকাশ কৰে আৰু দুৰ্নীতিৰ পৰা আতঁৰত আছে বুলি এই সমবায়ক সমৰ্থন জনায়।

Shri Dulal Chandra Barua:— এইটো কোনে জনাইছে ?

Shri Mahendra Nath Hazarika:— সদাচাৰ সমিতিয়ে।

Shri Dulal Chandra Barua:— সদাচাৰ সমিতিৰ লগত কোনো সমন্ধ নাই।

Shri Mahendra Nath Hazarika :—

এইদৰে শ্ৰীথানুৰাম দাস আৰু আন আন কেইজন মান লোকে নতুন মেলেং সমবায়ৰ বিৰুদ্ধে যোৱা ১০।১।৬৯ তাৰিখে শিৱসাগৰ জিলাৰ উপায়ুক্তৰ ওচৰত অভিযোগ দিয়ে । এই অভিযোগকাৰী সকলে পুনৰ ৪।২।৬৯ তাৰিখে উপায়ুক্তৰ ওচৰত দৰ্খাস্ত দি আগেয়ে কৰা অভিযোগ উঠাই লয় । এওঁলোকে কৰা অভিযোগ ........................................

Shri Dulal Chandra Barua:— ক'ত ক'ত ?

Shri Mahendra Nath Hazarika :— অধ্যক্ষ মহোদয় এওঁলোকে কৰা অভিযোগৰ বিষয়ে মধ্য যোৰহাট উন্নয়ন খণ্ডৰ সমবায় বিভাগৰ Senior Inspector ৰ দ্বাৰাই তদন্ত কৰোৱাত অভিযোগ সমূহ মিছা বুলি ৰিৰ্পোট দিয়ে ।

সেইদৰে ভিতৰ ককিলা মাছ পোহা আৰু মৎস্য ব্যৱসায় সমিতিৰ বিৰুদ্ধে উপায়ুক্তৰ ওচৰত অভিযোগ আনে যে, এই সমবায় খনি পূৰ্ব্বৰ ভাগিযোৱা " ভিতৰ ককিলা মাছমৰা সমবায় সমিতিৰ " সভ্য সকলৰ দ্বাৰা গঠিত । ইয়াৰ বেচিভাগ সভ্যই মীনমহলৰ আৰু পুনৰ বাসনৰ ঋনৰ চৰকাৰি দেনাদাৰ । যোৱা ৫।২।৬৯ তাৰিখে উন্নয়ন খণ্ডৰ বিষয়াৰ তদন্তৰ Report ত উক্ত অভিযোগ সমূহৰ অধিক সংখ্যকেই ঠিক বুলি সাব্যস্ত কৰিছে । আৰু এই নতুন সমবায়ে সভ্য সকলৰ সন্তোষজনক সেৱা কৰিব পৰাত সন্দেহ প্ৰকাশ কৰিছে আৰু ক্ষীন আশা পোষন কৰিছে ।

অধ্যক্ষ মহোদয় মাননীয় সদস্য শ্ৰীতুলাল বৰুৱাই কৈছে যে, মেলেং সমবায়ৰ সভাপতি জন কম বয়সীয়া আৰু এই সমবায়ৰ সদস্য সকল ভুৱা সদস্য ।

শিৱসাগৰ জিলাৰ উপায়ুক্তই তেওঁৰ যোৱা ২৫।২।৬৯ তাৰিখে পঠোৱা পত্ৰত উল্লেখ কৰিছে যে, তেওঁৰ অফিচৰ পৰা পঠোৱা ৰিৰ্পোটৰ যোগ্যতাৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰে মহল বন্দোবস্তি কৰি দিলে তাত তেওঁৰ আপত্তি নাই । নতুন মেলেং মীন শিল্প সমবায়ৰ সমিতিৰ বিৰুদ্ধে অনা অভিযোগ বিষয়ে সকলো বিলাক কথা বিবেচনা কৰি চায় অভিযোগ সাব্যস্ত কৰিব নোৱাৰিলে । আনহাতে " ভিতৰ ককিলা মাছ পোহা আৰু ব্যৱসায় সমবায়

সমিতিৰ ” সভ্য সকলৰ বিৰুদ্ধে অনা অভিযোগ সমূহ সাব্যস্ত হ’ল । সেই কাৰণে উপায়ুক্তৰ অনুমোদন ক্ৰমে এই মীন মহল “ নতুন মেলেং মীন শিল্প সমবায় সমিতিৰ নামত” পোনপতীয়া বন্দবস্তি দিয়া হয় ।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীতুলাল চন্দ্ৰ বৰুৱাই ওপৰত উল্লেখ কৰা “ মেলেং মীন শিল্প সমবায়ৰ সভাপতি জন কম বয়সীয়া বুলি অভিযোগ আনে আৰু এই সমবায়ৰ সভ্যসকল ভুৱা সভ্য বুলি অভিমত প্ৰকাশ কৰে । এই অভিযোগৰ ওপৰত ভিত্তিকৰি মাননীয় অধক্ষ্য মহোদয়ৰ পৰামৰ্শ মতে নিম্ন লিখিত তিনিজনীয়া বিষয়াৰ দ্বাৰা এই বিষয়ে যোৱা ৭।৪।৬৯ তাৰিখে স্থানীয় তদন্ত কৰোৱা হয় । যুটীয়া বিষয়া সকল (১) শিৱসাগৰ জিলাৰ উপায়ুক্ত (২) Director of Fisheries (৩) Joint Registrar.

চৰকাৰৰ চিঠি V.T.F.G. 13568 dt 3.4.69 ৰ আদেশ অনুসৰি ডিৰেক্টৰ ফিচাৰী জইন্ট ৰেজিষ্টাৰাৰ কো-পাৰেতিভ আৰু চিনিয়ৰ ই.এ.চি. যোৰহাট (D. C. যোৰহাটৰ প্ৰতিনিধি হিচাবে) পশ্চিম চাওখাট গাওঁ পঞ্চায়তৰ অফিচ প্ৰাঙ্গনত যুটীয়া অনুসন্ধান কৰা হয় । এই অনুসন্ধানত এক পক্ষৰ পৰা শ্ৰীকমল দাস, চেয়াৰমেন,—

শ্ৰীমেম্বৰ দাস চেক্ৰেটেৰী আৰু কেইগৰাকীমান নতুন মেলেং মীন শিল্প সমবায় সমিতিৰ সভ্য উপস্থিত আছিল আৰু আন পক্ষৰ পৰা শ্ৰীৰাম নাথ দাস, শ্ৰীসিদ্ধেশ্বৰ দাস, খানুৰাম দাস আদি ভিতৰ কৰিলাৰ আৰু শ্ৰীপোৱা ৰাম ভৰালী, শ্ৰীবোধুদাস আৰু আন আন নতুন মেলং গাওঁৰ পৰা উপস্থিত আছিল । যুটিয়া অনুসন্ধানৰ ৰিৰ্পট তলত দিয়া হল ।

যোৱা ২১।৯।৬৮ তাৰিখে নতুন মেলেং আৰু মেলেং কৈৱৰ্ত্ত গাওঁৰ ৬২ জন লোকে “নতুন মেলেং মীন শিল্প সমবায় সমিতি লিঃ” নামে এখন চোচাইটি ৰেজিষ্ট্ৰেচন কৰিবৰ উদ্দেশ্যে স্থানীয় অফিচত দৰ্খাস্ত কৰে । এই চচাইটি সংগঠন কৰাৰ কাৰ্য্য চলাইছিল চেণ্টেল যোৰহাট ডেভেলপমেণ্ট ব্লকৰ চিনিয়ৰ ইন্সপেক্টৰে । এই চচাইটি ১৮ অক্টোবৰ ১৯৬৮ চনত এচিচ-টেণ্ট ৰেজিষ্টাৰাৰ কোঅপাৰটিভ চচাইটি যোৰহাটে ৰেজিষ্টাৰ কৰে আৰু ইয়াৰ নম্বৰ হল ১২।১৯৬৮-৬৯ । এই চচাইটিৰ সভ্য হোৱাৰ সীমা হল পশ্চিম

চাওখাট গাওঁ পঞ্চায়ত এলেকাৰ গাওঁ সমূহৰ পৰা কিন্তু ব্যৱসায় সংক্ৰান্তত সীমা হল যোৰহাট মহকুমাৰ যি কোনো ঠাইতে। গতিকে এই সমবায় সকলো নিয়ম আৰু আইনৰ অনুযায়ী ৰেজিষ্ট্ৰেচন কৰা হৈছিল।

এই সমবায়ৰ ৬২ জন সভ্যৰ ভিতৰত ৩৫ জনে পিচত সভাপদ ত্যাগ কৰে। যিহেতু তেওঁলোকে পশ্চিম চাওখাট গাওঁ পঞ্চায়ত এলেকাৰ কোনো গাওঁৰ বাসীন্দা নাছিল, যদিও এই সকল সভ্যক নতুন মেলেং আৰু মেলেং কৈৱৰ্ত্ত গাৱঁৰ (উপৰুক্ত গাওঁ পঞ্চায়তৰ অন্তৰ্গত) বাসীন্দা বুলি লিষ্টত দেখুৱাই কো-অপাৰেটিভ ইন্সপেক্টৰক দিয়া হৈছিল। বৰ্ত্তমান এই সময়ৰ ৰেজিষ্টাৰ অনুযায়ী সভ্যৰ সংখ্যা ৫৭ জন কাৰণ পিচত মেলেং গাঁৱৰ আৰু ৩০ জন লোকক পিচত সভ্য ভুক্ত কৰা।

বিৰোধী দলৰ আপত্তি অনুযায়ী সমিতিৰ সম্পাদক শ্ৰীমেশ্বৰ দাস নতুন মেলেং গাওঁৰ বাসীন্দা নহয় তেওঁ ভিতৰ ককিলাৰহে আৰু ই পশ্চিম চাওখাট গাওঁ পঞ্চায়ত এলেকাৰ বাহিৰতহে। এই বিষয়ে স্থানীয় S.D.Cৰ দ্বাৰা বিশেষ ভাৱে অনুসন্ধান কৰা আৱশ্যক। এই ৫৭ জনৰ ভিতৰত ৫ জন নাবালক বুলি বিৰুয়াজনে অভিযোগ কৰে। তাৰে দুজনৰ বয়স ১৭ আৰু ১৪ বছৰ বুলি নিজৰ দেউতাক হতে স্বীকাৰ কৰে বাকী ৩ জনৰ বয়স সন্দেহজনক। আৰু এই সংক্ৰান্তত নথি পত্ৰৰ দ্বাৰা প্ৰমানৰ আৱশ্যক। এগৰাকী মহিলা সভ্যা মৃত কিন্তু তেওঁৰ নাম তালিকাত দেখা গল। এই ৬ জন সভ্য বাদ দিলে বাকী সভ্যৰ সংখ্যা ৫১ জন।

সমবায়ৰ সকলো সভ্য অনুসূচীত জাতিৰ আৰু এই বিষয়ে বিপক্ষ দলৰ পৰা কোনো আপত্তি দৰ্শোৱা নাছিল।

শ্ৰীবেৰাই দাস নামে এজন সভ্য সমবায়ৰ চেয়াৰমেন হিচাবে ১১।২।৬৯ লৈকে আছিল কিন্তু সেই তাৰিখেই তেওঁ পদত্যাগ কৰে আৰু ভাইচ চেয়াৰমেন শ্ৰীকমলদাসে সমবায়ৰ 'By Law' ৰ ৭ (৪) দফা অনুযায়ী চেয়াৰমেনৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে আৰু Asstt. Registrar Co-operative যোৰহাট ১৭।২।৬৯ ত তাৰ অনুমোদন জনায়। এই দুই জন সভ্যৰ জবানবন্দী শপত গ্ৰহণ কৰাই-লোৱা হৈছিল। বেৰাই দাসে নিজৰ বয়স

২৪ বছৰ বুলি কয়, কিন্তু তেওঁৰ বয়স ২০ বছৰৰ ওপৰা ওচৰি যেন দেখা যায় শ্ৰীকমল দাসে নিজৰ বয়স ৩০ বছৰ বুলি কয় আৰু দেখাতো সিমান যেনেই লাগিল। তেওঁৰ বয়সৰ বিৰুদ্ধে বিপক্ষ দলে কোনো আপত্তি দৰ্শোৱা নাছিল।

অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত মাননীয় সদস্য শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই অনা অভিযোগ সমূহ...............

অধক্ষ্য মহোদয়; তেখেতে নদীৰ কথা কৈছে। গৰঙা বিলখনৰ পশ্চিম খণ্ডত টেণ্ডাৰত সুদৰ্শন মণ্ডলক দিছিল বুলি কৈছে। কিন্তু আমাৰ ফালৰ পৰা পোনপতীয়া ভাৱে দিয়া হোৱা নাই। এইটো টেণ্ডাৰ হিচাবেহে দিয়া হৈছিল। এই সম্বন্ধে মোৰ কবলগীয়া একো নাই।

অধ্যক্ষ মহোদয়, মৰিকলং, দেওৱা চাৰং, পকৰীয়া আদি বিল সম্বন্ধে তেখেতে অভিযোগ আনিছে। মৰিকলং সম্বন্ধে তেখেতে কৈছে আৰু পকৰীয়া বিলত ৮৬ হাজাৰ কম টেণ্ডাৰত দিয়া হৈছিল বুলিও কৈছে। ইয়াৰ উপৰিও তেখেতে অন্য বিল যেনে—গৰঙা বিলৰো অভিযোগ আনিছে কম টকাত দিয়া হৈছে বুলি। কিন্তু এই গৰঙা বিলখন এতিয়া দিয়া নহয়। ১৯৬৫ চনতে বন্দবস্তি হৈ যায়। লগতে তেখেতে কৈছে যে এই গৰঙা বিলৰ লগত কিছুমান বিল অন্তৰ্ভুক্ত কৰা হৈছে। অধ্যক্ষ মহোদয়, নগাওঁ জিলাৰ উপায়ুক্তই এই বিষয়ে এটা ৰিপৰ্ট পঠাইছে যে গৰঙা বিলৰ ওচৰত থকা আৰু অন্য অন্য বিলো মাছ পোনা আদি পোহাৰ বাবে এই বিলাক বিল ৰাজহুৱা মীন মহলৰ কাৰণে দুই হেজাৰ, তিনি হাজাৰ, চাৰি হাজাৰ, আনকি সাত হাজাৰলৈকে কেতিয়াবা বিক্ৰী কৰিছে। গতিকে এই বিক্ৰী কৰাৰ কাৰণে উপায়ুক্তৰ তৰফৰ পৰা প্ৰস্তাৱ আছে যে এই বিলাক গৰঙা বিলৰ অন্তৰ্ভূক্ত কৰিব লাগে। এইটো বহু দিনৰে পৰা প্ৰস্তাৱ হিচাবে আহি আছিল, কিন্তু ইমান দিনে কৰা হোৱা নাছিল। কিন্তু পাচত এই গৰঙা বিলৰ লগত ৰেজিষ্টাৰ কৰি অন্তৰ্ভূক্ত কৰিবৰ বাবে বাৰে বাৰে তেওঁলোকে কৈ আছিল। এতিয়া তেওঁলোকক ৰেজিষ্টাৰ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। এইটো অন্তৰ্ভূক্তি কৰণৰ পাচত উন্নয়ন সাধন কৰিবৰ কাৰণে আৰু ৰেভিনিউ বঢ়াবৰ

কাৰণেও এইটো নিতান্ত আৱশ্যক বুলি D.C. কে আৰম্ভ কৰি সকলোৱে ইয়াৰ অন্তৰ্ভূক্তি কৰিবৰ কাৰণে মত প্ৰকাশ কৰিছে । সেই প্ৰস্তাৱ অনুযায়ী ইয়াক অন্তভূৰ্ক্ত কৰিবলৈ কোৱা হৈছে ।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদুলাল বৰুৱাই আৰু এটা কথা উল্লেখ কৰিছে যে যোৱা জানুৱাৰী মাহৰ ৩০/৩১ তাৰিখে কোনো কমিটিৰ কাৰ্য্য উপলক্ষে গুৱাহাটীলৈ গৈছিল আৰু তেখেতে Circuit House ত বহু বিলাক লীলা খেলা কৰা দেখিছিল । মই মাননীয় সদস্যক কব খোজো যে লীলা খেলা যদি দেখিছিল তেন্তে ইমান দিনলৈ সঞ্চয় কৰি ৰাখিছিল কি কাৰণে ?

মই জানো তেখেতে মোক ভাল পায় ! কিন্তু যদি মোৰ ওপৰত ইমান প্ৰশংসা হয় তেন্তে মোৰ দৃষ্টি গোচৰ কৰা নাই কিয় ? মোৰ ব্যক্তিগত কথা, মোৰ পৰিবাৰৰ বিৰুদ্ধে অভিযোগ আনিছে এইটো নিশ্চয় কোৰ্টত দিব পাৰিলেহেতেন । নাইবা গোপন ভাবে ইয়াৰ তদন্তৰ ব্যৱস্থা কৰিব পাৰিলেহেতেন ।

[Noise]

তেখেতে সেইটো ব্যৱস্থা নকৰাৰ কাৰণে ..................

Shri Dulal Chandra Barua :— এতিয়া মন্ত্ৰী মহোদয়ে কৈছে যে গোঁসাই ঘৰত কোন ? মই কল খোৱা নাই । আপোনাৰ পৰিবাৰৰ লীলা খেলাৰ কথা কোৱা নাই । মই তেখেতৰ অন্য কথাহে কৈছিলো তেখেতে যদি তেখেতৰ পৰিবাৰৰ লীলাখেলাৰ কথা কিবা জানে জানিব পাৰে ।

[Voiec]

Shri Mahendra Nath Hazarika— অধ্যক্ষ মহোদয় তেখেতে কাজলী বিলখন গৰুড়া বিলখনৰ লগত চামিল কৰাৰ কথা কৈছে । আৰু ইয়াৰ লগতে কেনেকৈ সংলগ্ন কৰা হৈছে সেইটো দেখুওৱা হৈছে । অধ্যক্ষ মহোদয়; তেখেতে আৰু এটা কথা কৈছে, কাঁজলী বিলৰ ওচৰত খেতি কৰা মানুহক উচ্ছেদ কৰাৰ কথা কৈছে । কাঁজলী এখন সুন্দৰ বিল । মাছ থকাৰ কাৰনে অতি ভাল ঠাই । তাত মাছ ভালদৰে থাকিব পাৰে । আৰু তাৰ আশে পাশে মানুহে খেতি কৰিব পাৰে । সেইটো বিভাগে অনুমোদন কৰিছে আৰু বিভাগৰ পৰা অনু-

মতিও দিছিল, আমাৰ Settlement Officer ডাঙৰীয়াই । আমাৰ তাত কোনো আপত্তি নাই ।

অধ্যক্ষ মহোদয়; এই কাঁজলী বিলখন ইমান সুন্দৰ বিল যে তালৈ যি কোনো লোক গলেই সচাঁকৈয়ে নিশ্চয় আনন্দিত হব । সেই কাৰণে তাৰ আশে পাশে থকা মানুহক পাৰাৰ পাম্পেৰে কাঁজলী বিলৰ পৰা পানী নিবলৈ বন্ধ কৰিবলৈ কোৱা হৈছিল, কিন্তু কি ব্যৱস্থা কৰিলে আমি এতিয়ালৈকে জনা নাই ।

অধ্যক্ষ মাহোদয়; ইয়াত বাদেও মৰীশালীৰ টেটেলীহোলা বিল খনৰ কথা উল্লেখ কৰিছে । এই খন বিলৰ Settlement দিয়া হৈছে । তেখেতে কৈছিল যে তাৰ প্ৰতিবাদ জনোৱাত আমাৰ স্থানীয় M.P Shri Liladhar kataki ডাঙৰীয়াক হেনো কিবা কৈছিলো । তেখেতে সপোন দেখিছিল নেকি কব নোৱাৰো। মই কেতিয়াও কোৱা নাই আৰু মই এতিয়াও কোৱা নাই । তেখেতেহে কৈ আছে। মই সভা সমিতিতো পাইছো এই ক্ষেত্ৰত তেখেতে একো কোৱা নাছিল ।

ইয়াৰ বাদেও তেখেতে আৰু এটা অভিযোগ আনিছে যে মোৰ। ভতিজা লৰা এজনৰ হেনো কোনোবা মহলদাৰে ১৭/২৩ হেজাৰ টকা ঢালি দিছে । যি হওক মানুহে অনুমানত এনেকুৰা কিছুমান কথা কয় কিন্তু প্ৰকৃত ঘটনা কি জানিব নোৱাৰে । মানুহৰ ওপৰত অভিযোগ আনিলে নহব । কিন্তু মাননীয় সদস্যৰ অভিযোগৰ কিবা Document আছে নেকি ?

সি যিয়েই নহওক, অধ্যক্ষ মহোদয় মই এই কথাটো অসত্য বুলি কব খুজিছো । চামগুৰী সমবায়খন ব্যক্তিগত এজন মানুহৰ আৰু Defaulter বুলি উল্লেখ কৰিছে । এই বিলখন ১৩ হাজাৰ নে কিমান টকাত Settlement দিয়া হৈছে ।

(হৰ্ষধ্বনী)

অধ্যক্ষ মহোদয়, মাননীয় সদস্যই অভিযোগ আনিছে যেতিয়া, এতিয়া উত্তৰ শুনিবলৈ ধৈৰ্য্য থকা উচিত ।

Shri Dulal Chandra Barua— ধৈৰ্য্য আছে ।

Shri Mahendra Nath Hazarika— এই বিলখন ১৩ হাজাৰ টকাত বিক্ৰী কৰা হৈছে। কিন্তু তাত কলংৰ মুখখন বন্ধ কৰাৰ কাৰণে মাননীয় সদস্য কলিয়াবৰৰ শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই বাৰে বাৰে কৈ থকাত কলংৰ মুখ খন বন্ধ কৰিদিয়া হয়। ফলত কলংত পানী নোহোৱাহ'ল আৰু মাছ প্ৰবেশ কৰিব নোৱাৰা হ,ল। ফলত মহলদাৰে 'কিষ্টি' পৰিশোধ কৰিব নোৱাৰা হ'ল। ইতিমধ্যে আমাৰ এটা সিদ্ধান্ত লোৱা হ'ল যে বাৰিষাৰ সময়ত যিহেতু মাছৰ কঠিন হয়, বিলবিলাকত সেয়ে বাৰিষা সময়ৰ কাৰণে মাছ মজুত' কৰি ৰাখে আৰু বাৰিষা সময়ত দিব পৰা যায়। এই বিলখন আটাইতকৈ উত্তম বিল আৰু সহজে Fishery কৰিব পাৰি, আৰু সহজে যান বাহনেৰে' মাহ অনানিয়া কৰিব পাৰি' বুলি সেই বিলখন এই বিভাগৰ হাতলৈ অনা হৈছে। অধ্যক্ষ মহোদয়, ডিৰেক্টৰৰ তৰফৰ পৰা এই বিলখন চাফা কৰাহ'ল কিন্তু এই বিলখন' ইমান দিনে পৰিস্কাৰ কৰাহোৱা নাছিল। এই বিলখন পৰিষ্কাৰ' কৰাহোৱাৰ পাচত যিবিলাক' মাছ খোৱা মাছ — মাছ দুবিধ –এবিধে মাছ খাই কাৰণে 'আমিষ' বোলে আৰু মাছ নোখোৱা বিলাকক 'নিৰামিষ' বোলে এই মাছ খোৱা মাছ বিলাকক বাহিৰ কৰিবৰ কাৰণে বন্ধ বস্তীদিয়া হ'ল।

[Ncise]

অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে Tender আহ্বান কৰা হ'ল' আৰু এজন ব্যক্তিগত মানুহে Tender দিয়ে কিন্তু আৰু এখন তাত সমবায়ও' আছে তাক মাননীয় সদস্যই Defaulter সমবায় বুলি কৈছে আচলতে এই খন ব্যক্তিগত সমবায় নহয়। এই সমবায় খনে চৰকাৰক' ৪ হাজাৰমান টকা দিবলগীয়া আছে। অধ্যক্ষ মহোদয়, এই সমবায় খনক ৩ বছৰৰ কাৰণে বন্ধ বস্তি নহয়, ভাৰাতীয়া হিচাবত বন্ধ বস্তি দি অতি সোনকালে আগৰ মাছখিনি বিক্ৰীকৰি, নতুন মাছ যাতে দিবপৰা যায় তাৰ কাৰণে ৩১ মাৰ্চ্চলৈ (তাৰ মানে এবছৰ নহয়) এই কেইটা দিনৰ কাৰণে দিয়া হৈছিল।

Shri Dulal Chandra Barua:— কি Basisত দিয়াহৈছে ?

Shri Mahendra Nath Hazarika:— আধাভাগত দিয়া হৈছিল। সাধাৰণতে আমাৰ বিলবিলাকৰ বন্দবস্তি হৈছে যে মহলদাৰে পায় ১০

অনা আৰু যি বিলমাৰে তেওঁ পায় ৬ অনা কিন্তু আমি সমান ভাগ কৰিহে দিছিলো। ব্যক্তিগত মানুহে বেছি দিছিল হয় কিন্তু বেছি দিলে বুলিয়েই যে দিব লাগিব সেইটো নহয় সেইটো চুৰি বৃত্তিহে হব। সেই কাৰণে অনেক ধৰনৰ ব্যক্তিগত মানুহৰ তাত যিটো অৱস্থা হৈছিল সেইটো অভিজ্ঞতাৰ পৰা সমবায়ক দিয়াটো ভাল হৈছে। কিন্তু Defaulter বুলি ৩ বছৰৰ বন্দবস্তি নহয় বা ১ বছৰৰ কাৰনেও নহয়। মাত্ৰ মাছখিনি ধৰিবৰ কাৰনেহে ভগাই দিয়া হ'ল। বন্দবস্তি আমাৰ ১ বছৰো নহ'ল। অধ্যক্ষ মহোদয়; চাৰং বিল সম্বন্ধে মাননীয় সদস্যই উল্লেখ কৰিছে। চাৰং বিল ৯ হাজাৰ টকাত দিয়া হৈছিল যদিও পিচত ইয়াৰ দাম কমি গৈছিল। কিন্তু মীন বিভাগে ইয়াৰ উন্নয়ণ কৰাৰ ফলত, ইয়াৰ দাম বাঢ়ি গৈছে। পিচত ইয়াক আমাৰ হাতলৈ অনা হ'ল আৰু তাত যিটো হিচাব দেখুৱালে তাত বহুত টকা খৰছ হৈছে। সেই কাৰণে আমি এইখন সমবায়ক Tenderত দিলো। তেওঁ লোকক ৩ বছৰৰ স্বৰ্ত্তধৰি দিয়াহ'ল যে বিলখন পৰিষ্কাৰ কৰিব লাগিব। এই বিলখন পৰিষ্কাৰ কৰিবৰ নিমিত্তে E&D বিভাগৰ যি মথাউৰি আছে তাক কাটি পানী উলিয়াই দি আকৌ মুখখন বন্ধ কৰি দিব লাগিব। আৰু তাৰ কাৰণে ৭ হাজাৰ টকা লাগিব বুলি E&D বিভাগক জনোৱা হ'ল! সেই অনুযায়ী বছৰি বছৰি টকা দিয়া হ'ল এই স্বৰ্ত্তত যে বিলখন পৰিস্কাৰ কৰিব। আমাৰ বহু টকা খৰচ হ'লহেতেন আমি নিজে বিলখন পৰিস্কাৰ কৰাহেতেন আৰু ৩ বছৰেও ইয়াৰ মূল্য ওলোৱা কঠিন হ'লহেতেন। সেইকাৰণে এই বিলখন পট্টন দিয়া হৈছে।

এইটো পৰিতাপৰ কথা। অধ্যক্ষ মহোদয়, মই সমাজ সেৱক, মোৰ গোৱামী নাই।

অধ্যক্ষ মহোদয় মোৰ গোৱামী নাই, আজি যি সকল লোকে বিবাহ শ্ৰাদ্ধ আদিত টকা পইচা অপচয় কৰাৰ কথা কৈছে, সেইটো মোৰপক্ষে সন্তৱপৰ নহয়। ৰাইজৰ সেৱাৰ অৰ্থে আমি দুখীয়া হিচাবে নিজ শক্তিৰে দুখী দুখী অৱস্থাৰে যি পাৰো সেৱা কৰিছো। কিন্তু অধ্যক্ষ মহোদয় মাননীয়

সদস্যই যিটো কৈছে সেইটো বৰ লাজৰ কথা দুখৰ কথা আৰু ভিত্তি-হীন কথা। ৫০০ টকা এটা মহলদাৰৰ পৰা আৰু ৫ মোন গাখীৰ মই আইৰ শ্ৰাদ্ধত লৈছো এইটো একেবাৰে অবান্তৰ আৰু ভিত্তিহীন কথা। কিন্তু অধ্যক্ষ মহোদয়; যি ৫ মোন গাখীৰ আইৰ শ্ৰাদ্ধত ব্যৱহাৰ কৰা হৈছিল সেইৰোৰ মোৰ ভাই ককাই বন্ধু বান্ধৱৰ সহায়েৰে কৰা হৈছিল। তাৰ উপৰিও আমাৰ মাজত শ্ৰাদ্ধ পতা আদিৰ সময়ত ভাই ককাই বা পৰিয়াল বন্ধু বান্ধৱে নানাধৰণৰ যেনে গাখীৰ, কল, মাহ আদি বস্তুৰে সহায় কৰা এটা কথা আছে। সেইদৰেও মই ভালেখিনি সহায় পাইছিলো কিন্তু মই জনাত মই কাৰোৰ পৰাই এটা পইচাও আইৰ শ্ৰাদ্ধত পোৱা নাই। যদি সেইটোৱেই কোনোৱাই কৰে ই বৰ পাপৰ কথা হব, পিতৃ-মাতৃৰ শ্ৰাদ্ধত এনেকুৱা অপচয় কৰা, এনে দূৰ্নীতি কৰা মোৰ চৰিত্ৰত নাই। সেইটো অভিযোগ একেবাৰে ভিত্তিহীন। মই ডাঠি কব পাৰো যে কোনো মানুহৰ পৰাই মই ৫০০ টকাই নহয় আনকি একুড়ি টকাও পোৱা নায়। কোনোৱা মানুহে একাশী কল লৈ আহিছে বা গাখীৰকে অলপ আনিছে সেইটো মই সাদৰেৰে গ্ৰহণ কৰিছো কাৰণ তেনে প্ৰথা আছে বুলি মই আগতেই কৈ আহিছো

**Shri Dulal Chandra Barua :—** তেতিয়া আমি সেই বিষয়ে জনাইছিলো, অভিযোগ কৰিছিলো তেতিয়া একো ব্যৱস্থা নকৰিলে কিয় ?

**Shri Mahendra Nath Hazarika :—**

মোক এই বিষয়ে একো জনোৱা হোৱা নাছিল, সময়ত পোৱা হলে ঠিক কৰি দিলোহেঁতেন ( হাঁহি )

মাননীয় সদস্যই হাঁহিব নালাগে, ই বিদ্ৰূপ কৰা ঠাই নহয়। মইয়ো এই পবিত্ৰ সদনৰ এজন সদস্য তেঁখেতসকলে এই সদনত যি ব্যৱহাৰ বিচাৰে তেনে ব্যৱহাৰ কৰা উচিত।

তাৰ পিচত 'কানী' বিল সম্বন্ধে কোৱা হৈছে যে সেই বিল খন Registered নকৰাকৈয়ে পঢ়ন দিয়া হৈছে এইটো বৰ অবান্তৰ কথা, Registered নোহোৱাকৈ কোনো বিলেই পঢ়ন দিয়া হোৱা নাই। মাননীয় সদস্যই এই খবৰটো ক'ত পালে মই কব নোৱাৰো। এই

'কানী' বিলখন অতি পুৰণা বিল আৰু ইয়াক নতুনকৈ Registered নোহোৱাকৈ পট্টন দিয়া হৈছে বুলি কোৱাৰ কোনো অৰ্থ নাই। তাৰ পাচত নন্দী, কাৰমাৰি বিল পট্টন দিওতে কৈছে যে মোৰ ভতিজা লৰাৰ তাৰ অংশীদাৰ আছে, এইটো একেবাৰে অসত্য আৰু মই বাৰে বাৰে এই পবিত্ৰ সদনত কোৱা স্বত্বেও মাননীয় সদস্যই মোৰ ভতিজা লৰাক এই বিলত অংশ অভিযোগ কৰাটো একেবাৰে অৱান্তৰ। মই আকৌ এই পবিত্ৰ সদনত কৈছো যে মোৰ ভতিজা লৰাৰ এই বিলত কোনো অংশ নাই। মই কব পাৰো যে মোৰ পৰিয়াল যদি এতিয়াও তপসীলভুক্ত সম্প্ৰদায়ৰ অন্তৰ্গত কিন্তু মোৰ ভতিজা লৰা B. A. Graduate আৰু তাৰ চাকৰীৰ কাৰণে মই কাকো প্ৰাৰ্থনা জনোৱা নাই। মই যেতিয়া মন্ত্ৰীৰ পদ ললো, এও বিলাক যেতিয়া মোৰ ওচৰলৈ আহে তেতিয়া মই Scheduled Caste ক মূল্য দিছো, সেইটো নহয়। মই ভাবো যে নিশ্চয় মই ন্যায় বিচাৰ কৰিম। সেই কাৰণে মোৰ ভতিজাৰ চাকৰিৰ ক্ষেত্ৰত মই স্বীকাৰ কৰিছো যে মোৰ ভতিজাই নিজ গুণেৰে নিজ বুদ্ধিৰে পাইছে তাত অস্বীকাৰ কৰিবলৈ মোৰ একো নাই। মৰিকলঙত মোৰ ভতিজাৰ অংশ আছে আৰু দৰঙাজানত মাননীয় সদস্যই উল্লেখ কৰিছে। মৰিগাও ভূৰবন্ধা আদি আঞ্চলিক পঞ্চায়তৰ অন্তৰ্ভুক্ত আৰু ই পঞ্চায়তৰ হাতলৈকে গলহেঁতেন। এই বিষয়ে আমাৰ একো উপায় নাছিল। ব্যক্তিগত মীনমহলটো ৰাইজৰ অভিযোগ মতে ৫০০০ টকাত যি জন মানুহে পাইছিল আৰু সেই সংক্ৰান্তত তেওঁ ১২০০০ টকা খৰচ কৰিব লগীয়া হল আৰু এই ১২০০০ টকা মন্ত্ৰীৰ খৰচৰ বাবদ আনিছে ইত্যাদিবোৰ কথা কি ভিত্তিত কৈছে অধ্যক্ষ মহোদয় মই একো বুজিব পৰা নাই।—

অধ্যক্ষ মহোদয় মাননীয় সদস্যই মোৰ পৰিবাৰৰ বিৰুদ্ধে এনেকুৱা অভিযোগ অনাটো ঠিক নহয় কাৰণ ইয়াৰ কোনো প্ৰমাণ নাই। এনেকুৱা অভিযোগ একেবাৰে অসত্য আৰু অবান্তৰ।

আমাৰ ৰোকনী মৌজাৰ এটা Defaulter Society ক আজি ৩ বছৰে বন্দোবস্তী দিয়া হোৱা নাই আমালোকৰ আইন মতে তেওঁলোক

Defaulter হব নোৱাৰে । সেইটো বন্দোৱস্তী স্থগিত ৰখাটো ঠিক নহব। ইয়াৰ দ্বাৰা লাভ হব । এইটো অস্থায়ী ভাবেহে দিয়া হৈছে।

উত্তৰ লক্ষীমপুৰৰ Kanta Khanikar ৰ অভিযোগত আমালোকৰ নিয়ম মতে এখন সমবায়ৰ শতকৰা ৮০ ভাগ মানুহ তপশীলভুক্ত মাছমৰীয়া আৰু ২০ ভাগ আন মানুহ থাকিলে সেই সমবায়ক Settlement দিব পৰা যায়।

অধ্যক্ষ মহোদয়; মাননীয় সদস্যই যি বিলাক কথা কৈছে সেইবিলাক গাৰ বলেৰে কৰা হোৱা নাই সেইবিলাক দিয়া হৈছে আমাৰ S.D.O. D.C. আৰু Asstt. Registrar সকলৰ Reportৰ ওপৰত ভিত্তি কৰি ।

Shri Dulal Chandra Barua— তাত Scheduled caste ৰ মানুহ এজনেও পোৱা নাই। এইটো সচা যে এই কান্ত খনিকৰ আমাৰ চুতীয়া সম্প্ৰদায়ৰ মানুহ আৰু বহু দিনৰে পৰা মাছৰ ব্যবসায় কৰি আহিছে আৰু তেখেতে বিল পোৱাটো ঠিক কিন্তু কাৰ লগত কি সম্বন্ধ আছে সেইটোহে মই নাজানো ।

Shri Mahendra Nath Hazarika— যি বিলাক বন্দবস্তি দিয়া হয় সেইবিলাক মহকুমাধিপতি বা উপায়ুক্তই বা Registrar/Asst. Registrar এ যি Report পঠিয়ায় সেই মতে হয় । এই মাত্ৰ শুনিছো যে কান্ত খনিকৰ চুতীয়া সম্প্ৰদায়ৰ লোক । তেখেতে যে কৈছে তেওঁ ১২ হেজাৰ টকাৰ Defaulter হৈ আছে এইটো নহয় । বৰং তেওঁ তাতোকৈ বেছি টকাহে Defaulter হৈ আছে। তেখেতক দাংধৰা বিল দিয়া হৈছিল। এই বিলৰ দাম আছিল ২০ হেজাৰ টকা। তেখেতে আবেদন কৰিছিল যে তেখেতক টকা আদায়ৰ বাবে কিছু সময় দিব লাগে ।

সেই কাৰণে Defaulter নহয়। কিন্তু তেখেতে টকা আদায় দিব নোৱাৰাত ডাংধৰা বিলখন Tender দিবলৈ নিৰ্দ্দেশ দিয়া হৈছিল। কিন্তু S.D.O ৰ পৰা Report দিলে যে বিলখন ৪ হেজাৰ টকাত মূল্য নিৰ্দ্ধাৰণ কৰিব লাগে। ইমান কম টকাত দিব নোৱাৰাৰ কাৰণে দিবাকৰ মৰাং নামৰ এজন মানুহক Settlement দিয়া হৈছে।

তেখেতে শিৱসাগৰৰ কথা কৈছে আৰু নন্দিৰাম দাস নামৰ এজন লোকৰ কথা কৈছে। এই নন্দিৰাম দাসে এই সংক্ৰান্তত ইয়ালৈ অনশন কৰিবলৈ আহিছিল। সেই কথাটো সদনৰ সকলোৱে জানে। এই সম্বন্ধে এটা বিবৰণ দিব খুজিছো।

শিৱসাগৰ মহকুমাৰ মীন মহল বন্দবস্তি দিয়াৰ বিষয়ে শ্ৰী নন্দিৰাম দাসে অনা অভিযোগৰ বিষয়ে-

১। মৰিদিখৌ বিল

১৯৬৮ চনত এই দিখৌ বিলখনি "শিৱসাগৰ ফিছি কালচাৰেল এণ্ড জেনেৰেল ট্ৰেডিং ক'-অপাৰেটিভ ফিচাৰী চছাইটিৰ" সম্পাদক শ্ৰীনন্দিৰাম দাসৰ নামত বছৰি ১৫,০০০ টকাত যোৱা ১।৪।৬৮ তাৰিখৰ পৰা ৩১।৩।৭১ তাৰিখলৈকে তিনি বছৰৰ কাৰণে বন্দবস্তিত দিয়া হয়।

শিৱসাগৰ মহকুমাধিপতিয়ে যোৱা ১৪।৫।৬৮ তাৰিখে উল্লেখ কৰা সমবায়ক চৰকাৰে উল্লেখ কৰা বিলখনি বন্দবস্তি দিছে বুলি আমানত টকা জমা দিবলৈ জনায়।

মহকুমাধিপতিৰ নিৰ্দ্দেশ পোৱাৰ পিছত এই সমবায়ৰ সম্পাদক শ্ৰীনন্দিৰাম দাসে ২০।৫।৬৮ তাৰিখে মহকুমধিপতিক এখন দৰ্খাস্ত দি জনায় যে "যেতিয়ালৈকে চৰকাৰে মথাউৰী কাটি দিয়াৰ বন্দবস্তি নকৰে আৰু হাতে কামে এই কাম কৰি নেদেখুৱাই তেতিয়ালৈকে বিনামূল্যে দিলেও এই বিল লোৱা নহব আৰু আমানতৰ টকাও দিয়া নহব" বুলি জনায়। এই সংবাদ মহকুমাধিপতিয়ে চৰকাৰক জনায়। চৰকাৰে মহকুমাধিপতিক এই বিল পুনৰ ডাকত দিবলৈ কয়। মহকুমাধিপতিয়ে ডাকত দিয়ে কিন্তু কোনো প্ৰাৰ্থী নথকাত এই বিল বৰ্ত্তমানলৈকে খাচহৈ আছে।

২। পুৰণি পুখুৰী

পুৰণি পুখুৰী ১৯৬৫-৬৬, ১৯৬৬-৬৭ চনলৈ তিনি বছৰৰ কাৰণে বন্দ-বস্তিত পায়। এই বিল মহলদাৰে বন্দবস্তি পোৱাৰ প্ৰথম বছৰতেই কোনো মানুহে পুখুৰীত বিহ দিয়ে আৰু লগতে O.N.G.C খাদৰ বিষাক্ত তেল এই পুখুৰীত সোমোৱাৰ ফলত বিলৰ মাছ মৰি যায়। সেই ক্ষতিৰ কাৰণে মহলদাৰে ৰেহাই বিচাৰে। কিন্তু চৰকাৰে ৰেহাই নিদি পূৰ্ব্বৰ মূল্যৰ ওপৰত শতকৰা ২০% টকা বৃদ্ধি মূল্যত আৰু এবছৰৰ কাৰণে বন্দবস্তিৰ কাল বৃদ্ধি কৰি দিয়ে যাতে তেওঁৰ ক্ষতিৰ টকা তুলি লব পাৰে।

৩। গৌৰী সাগৰ চাৰিখাৱৈ

গৌৰীসাগৰ চাৰিখাৱৈ মহল ১৯৬৫ চনৰ পৰা ১৯৬৮ চনৰ ৩১ মাৰ্চ্চলৈকে এখন সমবায়ে বন্দবস্তি পায়। মিতং নদীৰ কিনাৰত বান্ধ দিয়া আৰু পূল ওখ ঠাইত দিয়াৰ কাৰণে চাৰিখাৱৈৰ পানী মেটেকা উলিয়াই দি বিল পৰিস্কাৰ ৰাখিব নোৱাৰিলে। বন্দবস্তিৰ কাল শেষ হোৱাৰ পিছত এই চাৰিখাৱৈ কাকো বন্দবস্তি নিদিয়াকৈ ৰখা হয়। এই চাৰিখাৱৈ মীন বিভাগৰ দ্বাৰা পৰিস্কাৰ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। গতিকে এই চাৰিখাৱৈ এই প্ৰাৰ্থীক দিয়াৰ কথা উঠিব নোৱাৰে।

এই সুত্ৰত এইটো উল্লেখ কৰিব পাৰি যে সমবায় বিভাগৰ সহকাৰী ৰেজিষ্টাৰে এই সমবায় এক নিভাজ সমবায় বুলি ৰিপোৰ্ট কৰিছিল, কিন্তু তেওঁলোকৰ আৰ্থিক অৱস্থা টনকীয়াল বুলি বিবেচনা কৰিব পৰা নাযায় বুলিও কৈছে। সমবায় খনে এতিয়ালৈকে ৯৬৬৬০ টকা উঠালে আৰু তাৰ ভিতৰত মাত্ৰ ১০ টকাহে এপেক্স বেঙ্কত জমা দিলে আৰু ২০ টকা চেক্ৰেটাৰী (দৰখাস্তকাৰীৰ) হাতত পৰি আছে। এই সমবায় খনক যদি এখন মীন মহল চলাবলৈ দিয়া হয় তেন্তে তেওঁলোকে মেম্বাৰ সকলৰ পৰা নতুবা অন্য তৰফৰ পৰা টকা ধাৰ কৰিবলৈ বাধ্য হব।

এই সকলো কথাৰ পৰা দেখা যায় যে, এই সমবায়খনে এখন মীন মহল চলাবলৈ আৰ্থিক অৱস্থাৰ ফালৰ পৰা টনকীয়াল নহয়।

গতিকে দৰখাস্তকাৰীৰ মহকুমাধিপতিৰ ৰিপোৰ্ট তেওঁৰ অনুকুল বুলি কোৱা দাবী সত্য নহয়।

তত্ৰাচ দৰখাস্তকাৰীৰ পুৰণি পুখুৰী মীনমহল পট্টনৰ কাৰণে আবেদন চৰকাৰৰ বিচাৰাধীনত আছে।

অধ্যক্ষ মহোদয়; যদি কোনোবাই জোৰ কৰি সত্যাগ্ৰহ কৰি লব খোজে তেনেহলে চৰকা'ৰ সেইটো গ্ৰহণ কৰিব নোৱাৰে।

Mr. Speaker – It is 5 p.m. The House decided earlier to close all stages of debate at 5 p.m. and put the question. Now what is the sense of the House.

Shri Mahendra Mohan Choudhury — The Minister will conclude very soon.

Shri Gaurisankar Bhattacharyya — ছাৰ; সদনৰ মতামত লৈ আপুনি ঘোষনা কৰিছিল। গতিকে এতিয়া কি কৰে, আপুনিহে জানে।

Mr. Speaker – As decided by the House I declare that all stages of debate are closed and 1 put the question now.

Shri Dulal Chandra Barua – How is that, Sir ? I should get the reply. My points were not replied as yet.

Mr. Speaker – what is the sense of the House ?

Shri Lakshmi Prasad Goswami (Minister, Agriculture)— The Minister may be allowed to conclude his speech.

( NOISE )

Shri Promode Chandra Gogoi – অধ্যক্ষ মহোদয়, এতিয়ালৈকে যি খিনি উত্তৰ দিছে সেইখিনি যিজনে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছিল তেখেতৰ সকলো খিনি দিয়া নাই। গতিকে তেখেতৰ বিচৰা উত্তৰ খিনি দিব লাগে।

Mr. Speaker – Whether the House wants to extend the time to finish the whole debate ? Is it the sense of the House to continue further ?

Shri Promode Chandra Gogoi :— অধ্যক্ষ মহোদয় এতিয়ালৈকে যিখিনি উত্তৰ দিছে, সেইখিনি যিজনে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছিল, তেখেতৰ সকলোখিনি দিয়া নাই, গতিকে তেখেতৰ বিচৰা উত্তৰ খিনি দিব লাগে ।

(NOISE)

Mr. Speaker :— Order, order, Please,

Shri Promode Chandra Gogoi :— ছাৰ, কালিলৈ আমাৰ সদস্য সকলৰ প্ৰাইভেট, Business আছে । গতিকে অধ্যক্ষ মহোদয়ে কালিলৈ কৈছে যদিও এইটো আজিয়েই শেষ কৰিব লাগে । অহা কালিৰ কাৰণে কোনো প্ৰশ্ন হব নোৱাৰে ।

Shri Kamini Mohan Sarma— ছাৰ এইটো আজিয়েই শেষ কৰিব লাগে । কাৰণ আমাৰ ফালৰ পৰাও বহুত কব লগীয়া আছিল । কিন্তু আজিয়েই শেষ কৰিব বুলি কোৱাৰ কাৰণেহে আমি নকলো ।

Mr. Speaker— (after a pause)— I put the question. The question is ......

Shri Dulal Chandra Barua— I have not been clarified of my points, Sir. I have the right to get the reply. The Minister may be allowed two or three minutes more to finish his reply. I may also be allowed two or three minutes to get my points clarified.

Mr. Speaker— I have been guided by the decision of the House. I have also taken sense of the House. Now I put the question.

The question is that this Assembly expresses its want of confidence in Shri Mahendra Nath Hazarika, Minister-in-charge of Fisheries, Khadi and Village Industries, etc. for his activities in the capacity as a member of the Cabinet which is detrimental to the interest of the public in general and Scheduled Caste community in particular.

Those who are infavour of the motion say Ayes
Those who are against the motion say Noes.

(Voices from both sides of House as Ayes and Noses)

Then the Hon. Speaker directed the members to go to their respective lobbies for voting.

The House divided with the following result :—

Ayes......29

Noes......61

( Then the motion was negatived )

AYES

Shri Abala Kanta Goswami
M. A: Musawwir Choudhury
Shri A.N. Akram Hussain
Shri Atul Chandra Goswami
Shri Bhubaneswar Barman
Shri Dulal Chandra Barua
Shri Gaurisankar Bhattacharyya
Shri Giasuddin Ahmed
Shri Gobinda Kalita
Shri Jalal Uddin Ahmed
Shri Kabir Chandra Roy Pradhani
Shri Kamini Mohan Sarma
Shri Kandarpa Narayan Banikya
Shri Kehoram Hazarika
Shri Lakshya Dhar Chaudhury
Shri Meneswar Boro
Shri Mohidhar Pegu
Shri Motilal Kanoo
Shri Nameswar Pegu
Shri Pitsing Konwar
Shri Premadhor Bora
Shri Promode Chandra Gogoi
Shri Romesh Mohan Kouli
Shri Sailen Medhi
Shri Sarat Chandra Rabha
Shri Shahadat Ali Joteder
M. Shamsul Huda
Shri Soneswar Bora
Dr. Surendra Nath Das

———

NOES

Shri Abdul Matlib Mazumdar
Md. Abul Kasem
Shri Altaf Hossain Mazumder
Shri Ataur Rahman
Shri Azizur Rahman Chaudhury
Shri Bazrul Basit
Dr. Bhumidhar Barman
Shri Bishnulal Upadhyaya
Shri Bishwanath Upadhyaya
Shri Biswadev Sarma
Shri C. G. Karmakar
Shri Chatrasing Teron
Shri Dandiram Dutta
Shri Debendra Nath Hazarika
Shri Dhaniram Rongpi
Shri Dharanidhar Choudhury
Shri Durgeswar Saikia
Shri Gajen Tanti
Shri Golok Chandra Patgiri
Shri Govinda Chandra Bora
Shri J.B. Hagjer
Shri Jadu Nath Bhuyan
Shri Jagannath Sinha
Shri Jogen Saikia
Shri Kamakhya Prasad Tripathi
Shri Karuna Kanta Gogoi
Shri Lakheswar Das
Shri Lakshmi Prasad Goswami
Shrimati Lily Sengupta
Shri Mahendra Mohan Choudhary
Shri Mahendra Nath Hazarika
Rani Manjula Devi
Shri Manik Chandra Das
Shri Mathura Mohan Sinha
Shri Mathius Tudu
Shri Mera Chouba Singha
M, Moinul Hoque Chaudhury
Shri Nakul Chandra Das
Shri Narayan Chandra Bhuyan
Shri Narendra Nath Sarma
Shrimati Padma Kumari Gohain
Shri Paramananda Gogoi
Shri Probin Kumar Choudhury
Shri Prabhat Narayan Choudhuri
Shri Prafulla Choudhuri
Mrs. Pranita Talukdar
Shrimati Puspalata Das
Shri Pushpadhar Chaliha
Shri Romesh Chandra Barooah
Shri Ranendra Basumatari
Shri Sadhan Ranjan Sarkar
Shri Sai Sai Terang
Shri Sarat Chandra Goswami
Shri Surendra Chandra Boruah
Shri Surendra Nath Das
Shri Syed Ahmed Ali
Shri Tilok Gogoi
Shri Upendra Nath Sanatan
Shri Uttam Chandra Brahma
Shri A.K. Nurul Haque

Mr. Speaker : The House stands adjourned till 10 A. M. on Thursday the 10th April, 1969.

ADJOURNMENT

The Assembly then adjourned till 10 A.M. on Thursday, the 10th April 1969

Shillong
The 9th April, 1969

U. Tahbildar
Secretary
Legislative Assembly, Assam.